LEGISLATIVE ASSEMBLY LIBRARY
ASSAM. SHILLONG

सत्यमेव जयते

# বাজেট বক্তৃতা

## ১৯৭০-৭১

শ্ৰীকামাখ্যা প্ৰসাদ ত্ৰিপাঠী
বিত্তমন্ত্ৰী, অসম

১৬ মাৰ্চ, ১৯৭০

LEGISLATIVE ASSEMBLY LIBRARY
ASSAM, SHILLONG

মাননীয় অধ্যক্ষ মহোদয়,

১৯৭০-৭১ চনৰ বিত্তীয় বছৰটোৰ কাৰণে অসম চৰকাৰৰ আয়-ব্যয়ৰ বিত্তীয় হিচাপ মই দাঙি ধৰিব খুজিছোঁ।

মই যোৱা বছৰ বাজেট উত্থাপন কৰাৰ সুবিধা পোৱাৰ পিছত ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত থাকোতেই ভাৰতৰ অন্যতম বিশিষ্ট সন্তান শ্ৰীজাকিৰ হুছেইনৰ আকস্মিক মৃত্যুৱে সমগ্ৰ জাতিক গভীৰ শোকত ম্ৰিয়মান কৰি তোলে। মৃত্যুৰ মাত্ৰ কেইদিনমান আগতেই অসম ভ্ৰমণ কৰিবলৈ আহোতে তেওঁক দেখা আৰু ভাষণ শুনা অসমৰ ৰাইজৰ মনত তেওঁৰ খোলা আৰু আন্তৰিকতাপূৰ্ণ অভিব্যক্তি, আমাৰ সমস্যাৱলীৰ প্ৰতি তেওঁৰ সহানুভূতিশীল মনোভাৱ আৰু মৰম লগাব পৰা ব্যক্তিত্বই এনে গভীৰ সাঁচ বহুৱাইছিল যে এইজন মহান ব্যক্তি আৰু নাই বুলি ভাবিবলৈকে সকলোৱে টান পাইছিল। এজন বিদগ্ধ পণ্ডিত আৰু গান্ধীজীৰ প্ৰকৃত অনুগামী হিচাবে তেখেতে ভাৰতৰ ৰাষ্ট্ৰপতিৰ এখনি সন্মানিত আসন মৰ্য্যাদা আৰু বৈশিষ্ট্যৰে শোভা কৰিছিল। এই মহান আত্মাৰ প্ৰতি মই গভীৰ শ্ৰদ্ধা নিবেদন কৰিছোঁ। যোৱা বছৰ দেশে কেইবাজনো লেখত লবলগীয়া লোকক্ষো হেৰুৱাইছে। তেখেতসকল হ'ল—তামিলনাড়ুৰ মুখ্যমন্ত্ৰী চি, এন, আন্নাদুৰাই, মহাৰাষ্ট্ৰৰ ৰাজ্যপাল ডঃ পি, ভি, চেৰিয়ান, ৰাজ্যসভাৰ উপ-সভাপতি শ্ৰীমতী ভায়লেট আল্‌ভা, সংসদী সদস্য অধ্যাপক হুমায়ুন কবীৰ আৰু অলপতে হেৰুৱাইছে ১৯৬৫-৬৬ চনত অসম পাৰ্ব্বত্য জিলা আয়োগৰ সভাপতি আৰু প্ৰাক্তন মন্ত্ৰী আৰু পুণা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ডঃ এইচ, ভি, পাটাস্কাৰক। অসম বিধান সভাৰ সদস্য শ্ৰীবিষ্ণুপ্ৰসাদ ৰাভাৰ বিয়োগেও আমাক আজি বহুখিনি দুখীয়া কৰি থৈ গ'ল। বহুমুখী অৱিহণাৰ কাৰণে অসমৰ সাংস্কৃতিক বুৰঞ্জীত তেখেত বহুদিনলৈ স্মৰণীয় হৈ ৰ'ব। অসম বিধান সভাৰ আৰু এগৰাকী বিশিষ্ট সদস্য শ্ৰীযতীন্দ্ৰ মোহন বৰভূঞাৰ অভাৱো আমি অনুভৱ কৰিম। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীপদ্মধৰ চলিহা, এই সন্মানিত সদনৰ সদস্য আৰু অসম চৰকাৰৰ মন্ত্ৰী হিচাবে জড়িত শ্ৰীগিৰীন্দ্ৰ নাথ গগৈ, অসম বিধান সভাৰ এসময়ৰ সদস্য আৰু প্ৰখ্যাত সমাজসেৱী শ্ৰীহৰিনাৰায়ণ বৰুৱা, বিধান সভাৰ প্ৰাক্তন সদস্য আৰু জনপ্ৰিয় বনুৱা নেতা শ্ৰীদলবীৰ সিং লোহাৰ আৰু অসম বিধান সভাৰ বিশিষ্ট প্ৰাক্তন সদস্য শ্ৰীনলীন্দ্ৰ চাংমা, শ্ৰীবদৰুদ্দিন আহমদ আৰু মহম্মদ ৰফিকৰ মৃত্যুতো মই গভীৰ শোক প্ৰকাশ কৰিছোঁ। অসমৰ অৱসৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ শ্ৰীগোপালজী মেহৰোত্ৰা আৰু অসম প্ৰশাসনীয় সেৱাৰ বিশিষ্ট সভ্য আৰু সাহিত্যিক শ্ৰীঈশ্বৰ প্ৰসাদ বৰুৱাকো আমি হেৰুৱাইছোঁ। এই বিশিষ্ট ব্যক্তিসকলৰ মৃত্যুত আমি শোক প্ৰকাশ কৰোঁ। তেখেতসকলৰ আত্মাই শান্তি লাভ কৰক।

মহাত্মা গান্ধীৰ জন্ম শতবাৰ্ষিকীৰ পটভূমিত আজি আমি গোটে খোৱাৰ এই সুযোগতে মই জাতিৰ পিতাৰ প্ৰতি মোৰ শ্ৰদ্ধাঞ্জলি তৰ্পণ কৰিছোঁ আৰু যি আদৰ্শ উপলব্ধিৰ বাবে বিশ্বমানৱৰ প্ৰতি মহাত্মাৰ সমগ্ৰ জীৱনটো আছিল এটা বাণী, সেই আদৰ্শ উপলব্ধিৰ বাবে আমি আজি নিজকে উৎসৰ্গা কৰিছোঁ।

যদিও মোৰ বাজেট বক্তৃতাত মই ৰাজ্যৰ সাধাৰণ আইন-শৃঙ্খলাৰ অৱস্থাৰ কথা কব খোজা নাই, তথাপি অসমৰ অধিকসংখ্যক লোকৰ মনত জাগি থকা কেইটামান বিষয়, বিশেষকৈ অসমৰ ভিতৰত ৰাজহুৱা খণ্ডৰ দ্বিতীয় শোধনাগাৰ স্থাপনৰ প্ৰশ্নটোৰ বিষয়ে মই চমুকৈ উল্লেখ কৰিব খুজিছোঁ। বেচৰকাৰী খণ্ডত দ্বিতীয় শোধনাগাৰৰ দাবীৰ সমৰ্থনত ১৯৬৯ চনৰ চেপ্টেম্বৰ মাহত সদৌ অসমতে অনুষ্ঠিত পষেক জোৰা শান্তিপূৰ্ণ গণ-সত্যাগ্ৰহ আন্দোলনে অভূতপূৰ্ব্ব উদ্দীপনা আৰু সকলো শ্ৰেণীৰ লোকৰে অকুণ্ঠ সমৰ্থনৰ প্ৰমাণ দিছিল।

অসমত যে দ্ৰুত ঔদ্যোগিকৰণৰ আৱশ্যক, সেই সম্বন্ধে সকলো পৰ্য্যায়ৰ লোকেই এতিয়া উপলব্ধি কৰা দেখা গৈছে আৰু প্ৰধানমন্ত্ৰীয়েও অসমৰ ন্যায্য দাবীৰ প্ৰতি সঁহাৰি জনাইছে তেখেতৰ ‘‘পেকেজ ডিলৰ’’ ঘোষণাৰে।

অসমৰ পুনৰগঠন

১৯৬৯ চনত অসম পুনৰগঠন (মেঘালয়) আইন গ্ৰহণ আৰু তাৰ ফলস্বৰূপে ১৯৭০ চনৰ ২ এপ্ৰিলৰ দিনা সংযুক্ত খাচী আৰু জয়ন্তীয়া পাহাৰ আৰু গাৰো পাহাৰক লৈ এখন নতুন স্বায়ত্তশাসিত ৰাজ্য গঠন অসমৰ বুৰঞ্জীত উল্লেখযোগ্য ঘটনা হব। বুৰঞ্জীৰ এক নতুন অধ্যায়ৰ পাতনি মেলা এই সিদ্ধান্তৰ অন্তৰালত থকা সম্প্ৰীতি আৰু বুজা পৰাৰ ভাবেই এই সীমান্তৱৰ্ত্তী ৰাজ্যখনক শান্তি আৰু সমৃদ্ধিৰ স্থল হিচাবে গঢ়ি তোলাত সকলো সময়তে অনুপ্ৰেৰণা যোগাব বুলি আমাৰ আন্তৰিক বিশ্বাস।

উত্তৰ কাছাৰ পাহাৰক এখন স্বকীয়া জিলা, মিজোপাহাৰৰ চাইহাত এখন মহকুমা আৰু ধেমাজিত সদৰ কাৰ্য্যালয়ৰ সৈতে লক্ষীমপুৰ জিলাত প্ৰস্তাৱিত এটা দ্বিতীয় স্বকীয়া প্ৰশাসনীয় গোট গঠনে এই অঞ্চলসমূহৰ প্ৰশাসন উন্নত আৰু উন্নয়ন দ্ৰুত কৰিব।

কেতবোৰ নতুন পৰিস্থিতিৰ বাবে বাজেট আগতে উত্থাপন কৰিব পৰা নহ’ল। প্ৰথম অসুবিধাটো হ’ল আইন সম্পৰ্কীয়, অৰ্থাৎ অসম পুনৰগঠন আইন অনুযায়ী মিকিৰ পাহাৰ আৰু উত্তৰ কাছাৰ পাহাৰ এই জিলা দুখনে মেঘালয়ৰ অন্তৰ্ভুক্ত হ’ব নে অসমতে থাকিব তাক নিৰ্ণয় কৰাটো। মতামত ব্যক্ত কৰাৰ শেষ তাৰিখ আছিল ২৩ ফেব্ৰুৱাৰী। মতামত ব্যক্ত কৰাৰ এই দিনটোৰ আগতে এই জিলা দুখনৰ সম্পৰ্কত অসমৰ একত্ৰীভূত পুঁজিত জমা কৰিব পৰা আনুমানিক আয় আৰু ব্যয় কৰিব লগা ধনৰ পৰিমাণ কিমান হব সেইটো ঠাৱৰ কৰিব পৰা নগৈছিল। সেয়ে এই দুখন জিলাৰ বাবে ২৩ ফেব্ৰুৱাৰীৰ পৰাহে স্বকীয়া বাজেট আমি প্ৰস্তুত কৰিছোঁ। তাৰ পাছত ছপাই তাক আমি সংবিধানৰ ৬ষ্ঠ অনুচ্ছেদৰ ১৩ দফা অনুযায়ী জিলা পৰিষদসমূহলৈ আলোচনাৰ বাবে পঠিয়াবলগীয়া হয়। এই আলোচনাৰ সংক্ষিপ্ত বিৱৰণ পোৱাৰ পিছতহে আমি বাজেট সম্পৰ্কে চূড়ান্ত সিদ্ধান্ত লবলৈ সক্ষম হৈছোঁ।

ইয়াৰ উপৰিও আন এটা অসুবিধাই দেখা দিছিল। যোজনা আয়োগৰ বিষয়াৰ এটা দলে ৰাজ্যৰ ৰাজধানীলৈ আহি আলোচনা কৰাৰ পিছতহে আগন্তুক বছৰৰ যোজনাৰ ৰূপ নিৰ্ণয় কৰিব পৰা যাব বুলি যোজনা আয়োগে এই বছৰ এটা সিদ্ধান্ত লয়। এইটো এটা নতুন ব্যৱস্থা। দুৰ্ভাগ্যবশতঃ যোজনা আয়োগৰ এই দলটো ৩০ জানুৱাৰীৰ আগতে আহিব নোৱাৰিলে আৰু আলোচনা দুই ফেব্ৰুৱাৰীলৈকে চলিল। তাৰ পাছত, বিভিন্ন প্ৰশাসনীয় বিভাগসমূহে বিভিন্ন স্বায়ত্তশাসিত জিলা আৰু সাধাৰণ এলেকাৰ বাবে যোজনা আঁচনি আৰু তাৰ বাবে প্ৰয়োজনীয় মুঠ ধনৰ হিচাপ প্ৰস্তুত কৰিবলগীয়া হয়। এই হিচাপ ফেব্ৰুৱাৰীৰ শেষ ছোৱাতহে পোৱা গ’ল। বাজেট উত্থাপন কৰাত পলম হোৱাৰ ইয়ো এটা কাৰণ।

এনে ধৰণৰ পৰিস্থিতিত ১৯৭০-৭১ চনৰ বাজেট উত্থাপন কৰাৰ লগতে মাননীয় সদস্যসকলৰ আগত মই বিত্তীয় বছৰটোৰ প্ৰথম তিনি মাহৰ খৰচসমূহ বহন কৰিবৰ কাৰণে আগতীয়াকৈ ভোটদান কৰিবলগীয়া মঞ্জুৰীসমূহ দেখুৱাই এটা বিবৃতিও দাঙি ধৰিব খুজিছোঁ। এনে কৰাৰ ফলত মাননীয় সদস্যসকলে সম্পূৰ্ণ বাজেটখন আলোচনা কৰিবলৈ আৱশ্যকীয় সময় পাব।

অৰ্থনৈতিক অৱস্থাৰ সমীক্ষা

১৯৬৯ চনটো ভাৰতীয় অৰ্থনীতিৰ ক্ষেত্ৰত এক মিশ্ৰিত ফলাফলৰ বছৰ। আগৰ বছৰৰ অগ্ৰগতিৰ ধাৰা যদিও অব্যাহত ৰাখিব পৰা হোৱা নাই তথাপিও ১৪ টা ব্যৱসায়িক বেঙ্কৰ ৰাষ্ট্ৰীয়কৰণে অৰ্থনীতিৰ এক নতুন দিশ মুকলি কৰিছে। ভাৰতীয় অৰ্থনীতিৰ এই বছৰটোৰ কেইটামান বৈশিষ্ট্য হ'ল—খাদ্যবিষয়ত সন্তোষজনক উন্নতি, ৰপ্তানিৰ সম্প্ৰসাৰণ আৰু আমদানিৰ ক্ৰমাগত হ্ৰাসকৰণ।

ৰাষ্ট্ৰীয় যোজনাৰ বাবে বৈদেশিক সাহায্যৰ আশা ক্ষীণ হৈ আছে। কেন্দ্ৰীয় পৰিসংখ্যা সংঘটনে প্ৰস্তুত কৰা ৰাষ্ট্ৰীয় আয়ৰ (১৯৬০-৬১ চনৰ মূল্যৰ হাৰত) খৰতকীয়া নিৰ্দ্ধাৰণ মতে আগৰ বছৰৰ শতকৰা ৮·৯ ভাগৰ তুলনাত ১৯৬৮-৬৯ চনত ভাৰতৰ ৰাষ্ট্ৰীয় আয় প্ৰকৃত সংখ্যাত শতকৰা ১·৮ ভাগ বৃদ্ধি পায় অৰ্থাৎ ১৯৬৬-৬৭ চনৰ ১৫,১৭৩ কোটি টকাৰ পৰা ১৯৬৭-৬৮ চনত ১৬,৫২৫ কোটি টকালৈ আৰু ১৯৬৮-৬৯ চনত ১৬,৮৩০ কোটি টকালৈ বৃদ্ধি পায়। আগৰ বছৰত শতকৰা ৬·২ ভাগ বৃদ্ধিৰ তুলনাত ৩১৯ টকাত থকা জনমূৰি আয় অৱশ্যে শতকৰা ০·৬ ভাগ হ্ৰাস পোৱা দেখা যায়।

১৯৬৮-৬৯ চনৰ কালছোৱাত মৌচুমী আশানুৰূপভাৱে অনুকূলীয়া নহলেও খাদ্য শস্যৰ উৎপাদন ৯৪·০০ নিযুত টন আছিল আৰু এই উৎপাদনৰ পৰিমাণ পূৰ্ব্বৱৰ্তী বছৰটোৰ সৰ্ব্বকালৰ উৎপাদনৰ পৰিমাণ ৯৫·৪ নিযুত টনতকৈ সামান্যভাৱেহে কম আছিল। চলিত বছৰটোত খাদ্য শস্যৰ উৎপাদন আগতকৈ বৃদ্ধি পাব বুলি আশা কৰা হৈছে; অৱশ্যে যেঁহু উৎপাদিত অঞ্চলত ৰবি শস্যৰ বতৰত আৱশ্যক অনুপাতে বৰষুণ নোহোৱাৰ হেতুকে আগেয়ে অনুমান কৰা ১০০ নিযুত টন উৎপাদন হব নে নাই সেইটো সন্দেহৰ কথা হৈ পৰিছে। খাদ্য শস্যৰ উৎপাদন বৃদ্ধি হোৱাৰ ফলত বিদেশৰ পৰা খাদ্য সামগ্ৰী আমদানিৰ আৱশ্যকতা কমিছে আৰু আগৰ বছৰৰ ৫·৬৯ নিযুত টনৰ ঠাইত এই বছৰত আমদানিৰ পৰিমাণ ৪ নিযুত টনলৈ হ্ৰাস পোৱাৰ সম্ভাৱনা আছে। খাদ্য শস্যৰ উৎপাদনৰ শতকৰা হাৰ হিচাপত খাদ্য শস্যৰ সংগ্ৰহৰ পৰিমাণ ১৯৬৮-৬৯ চনৰ শতকৰা ৭·৪ ভাগৰ ঠাইত ১৯৬৯-৭০ চনত শতকৰা ৯·৫ ভাগ হ'ব বুলি আশা কৰা হৈছে। ৫ নিযুত টনৰ খাদ্য সামগ্ৰীৰ সঞ্চিত পুঁজি গঠন কৰিবলৈ যি আঁচনি হাতত লোৱা হৈছে সেই আঁচনি যদি ফলৱতী হৈ উঠে তেনেহলে পি, এল ৪৮০ অনুসৰি আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা কৰা আমদানি ১৯৭০-৭১ চনত বন্ধ কৰাটো সম্ভৱ হৈ উঠিব। সেউজীয়া বিপ্লৱ বুলি সততে অভিহিত হোৱা কৃষিক্ষেত্ৰত লাভ কৰা কাৰিকৰী অগ্ৰগতিয়ে আগৰ বছৰৰ মানদণ্ড বজাই ৰখাৰ উপৰিও আত্মনিৰ্ভৰশীলতাৰ অভিমুখে বলিষ্ঠ পদক্ষেপ পেলাই কিছুমান সামাজিক সমস্যাৰো সৃষ্টি কৰিব পাৰে যদিহে ভূমি সংস্কাৰৰ কামো কৰি যোৱা নহয়। এই কথা উপলব্ধি কৰিয়েই ৰাজ্য চৰকাৰসমূহক প্ৰগতিশীল ভূমি সংস্কাৰৰ ব্যৱস্থা লবলৈ পৰামৰ্শ দিয়া হৈছে।

১৯৬৮ চনত ঔদ্যোগিক উৎপাদনৰ মুঠ পৰিমাণ শতকৰা ৭ ভাগতকৈ কিছু কম আছিল। প্ৰথম ছমাহৰ বাবে (জানুৱাৰী—জুন) প্ৰস্তুত কৰা ঔদ্যোগিক উৎপাদনৰ চৰকাৰী হিচাপত এইটো সঙ্কেত পোৱা গৈছিল যে ঔদ্যোগিক উৎপাদন ১৯৬৯ চনত শতকৰা ৭ ভাগৰ পৰা ৮ ভাগলৈ বাঢ়িব পাৰে। আমি ১৯৬৯-৭০ চনৰ বাৰ্ষিক যোজনাত যি শতকৰা ৮ ভাগৰ লক্ষ্য স্থিৰ কৰিছিলোঁ তাৰে সৈতে এই আনুমানিক হিচাপৰ প্ৰায় মিল দেখা যায়। যদিও কিছুমান উদ্যোগে এতিয়াও সঙ্কোচনৰ হাত সাৰিব পৰা নাই, তথাপিও উদ্যোগসমূহৰ ভৱিষ্যত মুঠতে আশাপ্ৰদ বুলি কব পাৰি।

১৯৬৯ চনত ৰপ্তানিৰ পৰিমাণ বেছি আৰু আমদানিৰ পৰিমাণ কম আছিল। ১৯৬৮ চনৰ জানুৱাৰী মাহৰ পৰা চেপ্তেম্বৰ মাহলৈকে ৰপ্তানি কৰা সামগ্ৰীৰ মূল্য আছিল ৯৭২ কোটি টকা; সেই একে কালছোৱাতে ১৯৬৯ চনত ৰপ্তানি কৰা হয় ১,০৩২ কোটি টকা মূল্যৰ সামগ্ৰী। কিন্তু বছৰটোৰ শেষৰফালে ৰপ্তানিৰ পৰিমাণ হ্ৰাস পাবলৈ ধৰিলে আৰু ৰপ্তানি বৃদ্ধিৰ পৰিমাণ আমি ধৰা লক্ষ্যৰ শতকৰা ৭ ভাগ নাপাবগৈ পাৰে। ৰপ্তানিৰ গতি নিম্নমুখী হোৱাৰ কাৰণ বৈদেশিকো আৰু আভ্যন্তৰীণো। বৈদেশিক কাৰণটো হ'ল—কিছুমান উন্নতশীল দেশে দেনা-পাওনাৰ ক্ষেত্ৰত সমতা স্থাপনৰ বাবে কিছুমান নিষেধমূলক নীতি গ্ৰহণ কৰা আৰু আভ্যন্তৰীণ কাৰণটো হ'ল—দেশৰ কিছুমান প্ৰয়োজনীয় দ্ৰব্যৰ ক্ষেত্ৰত দেশজাত সামগ্ৰীৰ বাবে চাহিদা বৃদ্ধি পোৱা। দেশৰ সচৰাচৰ ৰপ্তানি হোৱা চাহ আৰু মৰাপাটৰ ৰপ্তানি এই বছৰটোত আটাইতকৈ হ্ৰাস পালে। আনহাতে কপাহী বস্ত্ৰ ৰপ্তানি সন্তোষজনকভাবে উন্নত হ'ল। বিশ্ব-বজাৰত ব্যাপক-ভাবে চাহৰ সৰবৰাহ হোৱা বাবে গোটমূল্য হ্ৰাস হৈ যোৱাত আৰু পূব আফ্ৰিকাৰ দেশসমূহে চাহ ৰপ্তানিৰ প্ৰতিযোগিতাত নমাৰ বাবে আমাৰ চাহ ৰপ্তানিও বাধাপ্ৰাপ্ত হয় আৰু পাকিস্তানৰ লগত তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ সন্মুখীন হোৱাত মৰাপাটৰ ৰপ্তানিতো ব্যাঘাত জন্মে। অন্যান্য সামগ্ৰীৰ ভিতৰত তীখাৰ অভাৱে নানা অসুবিধাৰ সৃষ্টি কৰা সত্বেও ইঞ্জিনীয়াৰিং সামগ্ৰী সন্তোষজনক ভাবে ৰপ্তানি হৈছে। আমদানিৰ ক্ষেত্ৰত খাদ্যসামগ্ৰী আৰু কিছুমান ঔদ্যোগিক সামগ্ৰীৰ আমদানিৰ পৰিমাণ কমোৱা সম্ভৱ হৈছিল যদিও মূলধনী সামগ্ৰীৰ আমদানি একেদৰেই চলি থাকিল। ১৯৬৮ চনত ১,৫০৯ কোটি টকাৰ সামগ্ৰী আমদানি কৰাৰ ঠাইত ১৯৬৯ চনৰ জানুৱাৰী মাহৰ পৰা চেপ্তেম্বৰ মাহলৈকে ১,২৪৩ কোটি টকাৰ সামগ্ৰী আমদানি কৰা হয়। আমদানিৰ পৰিমাণ হ্ৰাস পোৱাত আৰু ৰপ্তানিৰ পৰিমাণ বৃদ্ধি পোৱাৰ ফলত ১৯৬৮ চনৰ জানুৱাৰীৰ পৰা চেপ্তেম্বৰ মাহৰ কালছোৱাত আমাৰ বাণিজ্যিক সমতাৰ ক্ষেত্ৰত হোৱা ঘাটি ৫৩৭ কোটি টকাৰ তুলনাত ১৯৬৯ চনৰ একেছোৱা সময়ৰ ভিতৰত ২১১ কোটি টকালৈ হ্ৰাস হয়।

সম্প্ৰতি আমাৰ অৰ্থনৈতিক ক্ষেত্ৰৰ ঘাই সমস্যাটো হ'ল নিবনুৱা সমস্যা। ১৯৬৯ চনত নিয়োগ পৰিস্থিতি একেই থাকিল আৰু ১৯৭০ চনতো এই পৰিস্থিতি উন্নত হোৱাৰ কোনো সঙ্কেত পোৱা নাই। অৱশ্যে বৰ্ত্তমান সকলো পৰ্য্যায়তে নিবনুৱা সমস্যাটোৰ বিষয়ে বিশেষভাবে আলোচনা কৰা হৈছে আৰু যুৱকসকলক, বিশেষকৈ শিক্ষিত যুৱকসকলৰ কৰ্ম্মসংস্থান দিয়াৰ বাবে আঁচনি গ্ৰহণ কৰিবলৈ চিন্তা-চৰ্চ্চা কৰা হৈছে।

অসমৰ সাধাৰণ অৰ্থনৈতিক অৱস্থালৈ লক্ষ্য কৰিলে দেখা যায় যে ১৯৪৮-৪৯ চনৰ মূল্যৰ হাৰত ১৯৬৭-৬৮ চনত ৰাজ্যিক আয় বৃদ্ধি পায় শতকৰা ৭.১ ভাগ; কিন্তু চলিত মূল্যৰ হাৰত পূৰ্ববৰ্ত্তী বছৰৰ উচচতৰ হাৰ শতকৰা ২২.৯ ৰ ঠাইত এই বৃদ্ধিৰ পৰিমাণ হ'ল শতকৰা ১৪.৩ (১৯৬৬-৬৭ চনৰ ৬৮৯.৩ কোটি টকাৰ ঠাইত ১৯৬৭-৬৮ চনত ৭৮৮.২ কোটি টকা)। এইদৰে ১৯৬৬-৬৭ চনৰ শতকৰা ২১.৭ ৰ ঠাইত ১৯৬৭-৬৮ চনত মূল্যবৃদ্ধি শতকৰা ৭.২ লৈ কমোৱা হয়। চলিত মূল্যৰ ভিত্তিত জনমূৰি আয়ৰ পৰিমাণো ১৯৬৬-৬৭ চনৰ ৪৯৯.৯ টকাৰ ঠাইত ১৯৬৭-৬৮ চনত ৫৫৬.০ টকালৈ বৃদ্ধি পায়। সম্প্ৰতি সঙ্কলিত হৈ থকা ১৯৬৮-৬৯ চনৰ আনুমানিক হিচাবৰ পৰা এইটো সঙ্কেত পোৱা গৈছে যে এই বছৰ কৃষি উৎপাদন বৃদ্ধি পোৱাৰ হেতুকে বছৰটোৰ আয় আগতকৈ বাঢ়িব। প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য যে ৰাজ্যিক আয়ৰ প্ৰায় আধা ভাগেই কৃষিজাত উৎপাদনৰ পৰা আহে। পৰ্য্যালোচিত বছৰটোত অসমৰ পাইকাৰী মূল্য-সূচীৰ (ভিত্তি ১৯৫৩—১০০) উৰ্দ্ধমুখী গতি নিয়গামী হৈ

পৰে আৰু পূৰ্ব্বৰ্ত্তী বছৰৰ ২৬৩·৩ টকাৰ তুলনাত প্ৰথম ১০ মাহত গড়ে ২৪৫·৫ টকা হয়। অসমৰ কৃষিজাত সামগ্ৰীৰ উৎপাদনত সন্তোষজনক প্ৰগতি লাভ কৰা বাবে অতি সুখী হৈছোঁ। আনহাতে অনগ্ৰসৰ ঔদ্যোগিক খণ্ডসমূহ আমাৰ উদ্বেগৰ কাৰণ হৈ উঠিছে।

যোৱা বছৰৰ বাজেট বক্তৃতাত মই আমাৰ চাহ উদ্যোগে সন্মুখীন হোৱা সাম্প্ৰতিক দুৰ্যোগৰ বিষয়ে বিশদভাৱে আলোচনা কৰিছিলোঁ। এই কেই বছৰে চাহ উদ্যোগৰ সন্মুখত দেখা দিয়া সমস্যাবোৰ চৰকাৰৰ বাবে গভীৰ উদ্বেগৰ বিষয় হৈ পৰিছে। কৃষি আয় কৰ হিচাপে চাহ উদ্যোগৰ পৰা আমাৰ ৰাজ্যই লাভ কৰা আয়ৰ পৰিমাণ বৰ্ত্তমান ১½ কোটি টকালৈ হ্ৰাস পোৱাটো বৰ চিন্তাৰ বিষয় হৈ পৰিছে। চাহ উদ্যোগৰ লাভৰ পৰিমাণ কমি অহাৰ ফলত উদ্ভৱ হোৱা সমস্যাৱলী আৰু সেইবোৰৰ সমাধানাৰ্থে লবলগীয়া ব্যৱস্থা সম্পৰ্কে মই প্ৰধান মন্ত্ৰী আৰু বৈদেশিক বাণিজ্য দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰীৰ লগত আলোচনা কৰিছিলোঁ। অসমৰ চাহ শিল্পৰ প্ৰতি থকা বৈষম্য যাতে আঁতৰে আৰু চাহ শিল্পত লাভ যাতে বৃদ্ধি হয় আৰু তাৰ ফলত যাতে ৰাজ্যিক আয়ৰ পৰিমাণ আগৰ স্তৰলৈ বাঢ়ি আহে তাৰ কাৰণে ৰপ্তানি শুল্ক উঠাই দিবলৈ আৰু দেশৰ আন আন ৰাজ্যৰ সৈতে আবকাৰী শুল্কৰ সমতা আনিবলৈ মই তেওঁলোকক অনুৰোধ জনাইছিলোঁ।

মই সুখী হৈছোঁ যে ভাৰতীয় চাহ বিশ্ব-বজাৰত প্ৰতিযোগিতা কৰিবলৈ সক্ষম কৰি তোলাৰ কাৰণে ভাৰত চৰকাৰে ৰপ্তানি শুল্ক উঠাই দিয়াৰ কথা ঘোষণা কৰিছে।

অসমৰ চাহৰ ক্ষেত্ৰত থকা বৈষম্য দূৰীকৰণৰ বাবে ১৯৫৮ চনত কৰাৰ দৰে ভাৰতৰ বাকী ৰাজ্যৰ সৈতে আবকাৰী শুল্কৰ হাৰ সংগতিপূৰ্ণ কৰাৰ কথাটো অৱশ্যে এতিয়াও বিবেচনাধীন হৈ আছে। ভাৰত চৰকাৰে আবকাৰী শুল্ক বৃদ্ধি কৰি দি ৰপ্তানি শুল্ক উঠোৱাৰ ফলত হোৱা ক্ষতিৰ পূৰণ কৰিছে। অসম চৰকাৰৰ বিত্তৰ ৰাজহৰ ক্ষতিৰ ক্ষেত্ৰটো একে যুক্তিকেই প্ৰয়োগ কৰা উচিত আৰু ১৯৫৮ চনৰ আগৰ অৱস্থালৈ উভতি গৈ আবকাৰী শুল্কৰ সঙ্গতি ৰক্ষা কৰা আমাৰ প্ৰস্তাৱ গ্ৰহণ কৰা উচিত।

তদুপৰি আমাৰ চাহ শিল্পৰ ক্ষেত্ৰত বাধাস্বৰূপ হৈ থকা পশ্চিম বঙ্গ প্ৰৱেশ কৰৰ ঠাইত বিকল্প ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰু উপযুক্ত ক্ষতিপূৰণেৰে স্থল পৰিবহন কৰৰ পুনৰ প্ৰয়োগকৰণৰ কাম ভাৰত চৰকাৰে কৰিবলৈ এতিয়াও বাকী আছে।

অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাই তিনিবাৰকৈ আৰু বৰাক উপত্যকাই দুবাৰকৈ বানপানীৰ গৰাহত পৰে। ১৯৬৯ চনৰ ২২ জুনৰ পৰা ২৭ জুনলৈকে হোৱা প্ৰথম বানটোত লক্ষীমপুৰ জিলাৰ ধেমাজি অঞ্চল, কামৰূপ জিলাৰ নলবাৰী অঞ্চল আৰু গোৱালপাৰা আৰু কাছাৰ জিলাৰ কিছু অঞ্চল ক্ষতিগ্ৰস্ত হয়। দ্বিতীয় বানপানীটো অৱশ্যে উজনি অসমতেই আবদ্ধ থাকে আৰু শিৱসাগৰ জিলাৰ ব্ৰহ্মপুত্ৰৰ দুয়োপাৰ বানবিধ্বস্ত হয়। তৃতীয় আৰু আটাইতকৈ ধ্বংসাত্মক বানপানীটো জুলাই মাহত ব্ৰহ্মপুত্ৰ উপত্যাকাত হয় আৰু ডিব্ৰুগড় চহৰখন বেয়াকৈ বিপন্ন কৰি তোলে। ১৯৬৯ চনৰ আগষ্ট মাহত বৰাক উপত্যকাত হোৱা দ্বিতীয়টো বানপানীৰ ফলত কাছাৰ জিলাৰ যোগাযোগ ব্যৱস্থা বিচ্ছিন্ন হৈ পৰে। এই বানপানীৰ ফলত ১২ জন লোকৰ প্ৰাণহানি হয় আৰু ১৯·৯০ লাখ একৰ মাটিৰ এক বিস্তৃত অঞ্চল আৰু ১৪·৬৮ লাখ লোক ক্ষতিগ্ৰস্ত হয়।

বিত্তীয় আয়োগৰ অনুমোদন

যোৱা বছৰৰ বাজেট বক্তৃতাত পঞ্চম বিত্তীয় আয়োগৰ মধ্যকালীন প্ৰতিবেদনৰ বিষয়ে মই উল্লেখ কৰিছিলোঁ আৰু আশা প্ৰকাশ কৰিছিলোঁ যে উক্ত আয়োগৰ চূড়ান্ত অনুমোদনে অসমৰ ন্যায্য প্ৰাপ্যৰ প্ৰতি সঁহাৰি জনাব। আয়োগৰ চূড়ান্ত প্ৰতিবেদন প্ৰকাশ পাইছে আৰু ভাৰত চৰকাৰে তেওঁলোকৰ অনুমোদন গ্ৰহণ কৰি আৱশ্যকীয় আদেশ জাৰি কৰিছে। এই আদেশ অনুসৰি ১৯৬৯-৭০ চনৰ পৰা অহা পাঁচ বছৰৰ ভিতৰত অসমে ৰেলযাত্ৰীৰ ভাড়াৰ ওপৰত লগোৱা কৰৰ পৰিবৰ্ত্তে দিয়া অনুদানকে ধৰি কেন্দ্ৰীয় কৰ আৰু শুল্কৰ অংশ হিচাবে ৯৩·২৪ কোটি টকা আৰু সংবিধানৰ ২৭৫ (১) অনুচ্ছেদৰ মঞ্জুৰী হিচাপে ১০১·৯৭ কোটি টকা পাব। কিন্তু চতুৰ্থ বিত্তীয় আয়োগৰ অনুমোদনমতে বিতৰণ নীতি সালসলনি নকৰা হলে যথাক্ৰমে ৮২·২৫ কোটি আৰু ৮২·০৬ কোটি টকাহে আমি পালোহেঁতেন। ইয়াৰ ফলত পাঁচ বছৰত আমাৰ ৰাজহ বৃদ্ধি হৈছে ৩০·৩৬ কোটি টকা।

মই দুখেৰে কওঁ যে পঞ্চম বিত্তীয় আয়োগৰ পৰা আমাৰ ন্যায্য প্ৰাপ্য সম্পূৰ্ণ ভাবে পাম বুলি কৰা আমাৰ আশা পূৰণ নহ'ল। পঞ্চম বিত্তীয় আয়োগে বিশেষকৈ কেন্দ্ৰীয় আবকাৰী শুল্কৰ অংশৰ ক্ষেত্ৰত অনুন্নত অৱস্থা আৰু অৰ্থনৈতিক সঙ্কটৰ পৰিবৰ্ত্তে জনসংখ্যাৰ ওপৰত গুৰুত্ব দিয়া নীতি গ্ৰহণ কৰিছে। তাৰ ফলত আমি ক্ষতিগ্ৰস্ত হৈছোঁ। চতুৰ্থ বিত্তীয় আয়োগৰ নীতিৰ সংশোধন নকৰা হলে আমি এই পাঁচ বছৰত আনুমানিক ৬·৫৭ কোটি টকাৰ অতিৰিক্ত ৰাজহ লাভ কৰিব পাৰিলো হেঁতেন। আমি ভাবো কেন্দ্ৰীয় ৰাজহৰ অংশ বিতৰণ নীতি নিৰ্দ্ধাৰণ কৰোতে জনসংখ্যাতকৈ ৰাজ্যৰ অনুন্নত অৱস্থা আৰু আৰ্থিক সঙ্কটৰ প্ৰতিহে লক্ষ্য ৰখাটো উচিত।

এইটো সকলোৱে জানে যে, বিত্তীয় আয়োগ কেৱল ৰাজহ পৰিস্থিতিৰ সৈতেহে জড়িত, মূলধন হিচাপৰ সৈতে ইয়াৰ সম্পৰ্ক নাই। পঞ্চম বিত্তীয় আয়োগৰ ওচৰত দাখিল কৰা আমাৰ স্মাৰক-পত্ৰত ৰাজহৰ শিতানত ৩২১·৪৪ কোটি টকাৰ আনুমানিক ঘাটি দেখুৱাইছিলোঁ। কিন্তু বিত্তীয় আয়োগে দেখুওৱা ঘাটিৰ পৰিমাণ ইয়াতকৈ বহু কম। ৰাজ্যসমূহৰ আয়-ব্যয়ৰ পৰিমাণ কিমান হ'ব বুলি ভাবিছে সেই বিষয়ে বিত্তীয় আয়োগে উল্লেখ কৰা নাই। কিন্তু আয়োগে ৰাজ্যসমূহৰ ৰাজহৰ ঘাটি পূৰণৰ বাবে মাত্ৰ ১৯৫·২১ কোটি টকাৰহে ব্যৱস্থা আগবঢ়াইছে। ই পৰোক্ষভাবে ইয়াকে সূচায় যে পঞ্চম বিত্ত আয়োগে ৰাজহৰ শিতানত ঘাটিৰ পৰিমাণ সিমানেই হবগৈ বুলি ভাবিছে। দেখাতেই পঞ্চম বিত্তীয় আয়োগে ৰাজহ আয় বেছি আৰু ৰাজহ ব্যয় কম হব বুলি ভাবিছে। ৰাজহ আয়ৰ ক্ষেত্ৰত আয়োগে সমগ্ৰ দেশতে এটা একে ধৰণৰ উন্নয়নৰ হাৰ অনুমান কৰিছে। কিন্তু অসমৰ দৰে এখন ৰাজ্যত য'ত কৰ-কাটল বহুৱাৰ সা-সুবিধা বৰ সীমিত, তেনেস্থলত এই ৰাজ্যৰ ক্ষেত্ৰত নিৰ্দ্ধাৰণ কৰা ৰাজহৰ আয়-ব্যয়ৰ হিচাপ অবাস্তৱ। ইয়াৰ উপৰিও আয়োগে বিদ্যুত মণ্ডলীৰ দেনাৰ পৰা শতকৰা ৫০ ভাগ সুত পোৱা হ'ব বুলি অনুমান কৰিছে। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ সংশ্লিষ্ট কৰ্তৃপক্ষৰ হিচাপ মতেই ই ভুল বুলি প্ৰমাণিত হৈছে। এই অনুন্নত ৰাজ্যখনৰ প্ৰশাসনীয় আৰু সমাজ সেৱাৰ ব্যৱস্থাসমূহক ভাৰতৰ আন আন উন্নত ৰাজ্যসমূহৰ সমপৰ্য্যায়লৈ অনাত খৰচ কৰিবলৈ যে অতিৰিক্ত ধনৰ প্ৰয়োজন সেই কথা আয়োগে উপলব্ধি নকৰিলে। বিশেষকৈ ৰাজ্যখনৰ বৰ্ত্তমান পৰিস্থিতিজনিত আইন, শৃঙ্খলা আৰু নিৰাপত্তাৰ সম্পৰ্কত খৰচ কৰিবলৈ আৰু বানপানীত বছৰে বছৰে হোৱা ক্ষয়-ক্ষতিৰ পৰিপ্ৰেক্ষিতত অনাদায়ী টকা আদায় কৰাত হোৱা অসুবিধাবোৰৰ কাৰণে যে অতিৰিক্ত ধনৰ প্ৰয়োজন সেই কথাও আয়োগে উপলব্ধি নকৰিলে।

পঞ্চম বিত্তীয় আয়োগৰ অনুমোদন সম্পৰ্কে আমি তীব্ৰ প্ৰতিবাদ কৰিছোঁ। দৰাচলতে যোজনা আয়োগে পঞ্চম বিত্তীয় আয়োগৰ অনুমোদনসমূহ পুনৰ নিৰ্দ্ধাৰণ কৰাৰ আৱশ্যকতাৰ বিষয়ে উপলব্ধি কৰিছিল। এই বিষয়ে যোজনা আয়োগ আৰু আমাৰ মাজত বিশদ আলোচনা-বিলোচনা চলোৱা হৈছিল। এই আলোচনাত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী দপ্তৰৰ বিষয়াসকলেও যোগদান কৰিছিল। এইটো অনুমান কৰা হৈছে যে পঞ্চম বিত্তীয় আয়োগৰ অনুমোদন সত্ত্বেও পাঁচ বছৰৰ ভিতৰত মূলধন হিচাপৰ শিতানত ৮৬·৯৫ কোটি টকাৰ ঘাটিৰ উপৰিও ৰাজহ হিচাপৰ শিতানতো ৩০·২১ কোটি টকা ঘাটি হব। এই হিচাপৰ আয়ৰ শিতানত আমি গ্ৰহণ কৰাতকৈ কৃষি আয়কৰ হিচাপে বেছি ৰাজহ আয় দেখুওৱা হৈছে। চাহ উদ্যোগৰ অৱস্থাৰ কথা আমি আন ঠাইত উল্লেখ কৰিছোঁ। ফলস্বৰূপে কৃষি আয় কৰৰ শিতানত দেখুওৱা আয় হোৱাৰ কোনো সম্ভাৱনা নাই। দ্বিতীয়তে অসমৰ খাৰুৱা তেল ব্যৱহাৰৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা পৰৱৰ্ত্তী সিদ্ধান্তৰ ফলত খাৰুৱা তেলত লগোৱা ৰয়েল্টিৰ শিতানৰ আয়ৰ ক্ষেত্ৰত আৰম্ভণিতে কিছু ঘাটি পৰিব যদিও অসমত অতিৰিক্ত শোধন-ক্ষমতা সৃষ্টি হোৱাৰ পিছত অৱস্থা কিছু উন্নত হব। ইয়াৰ বাবে অৱশ্যে যথেষ্ট সময় লাগিব। আমি এইবোৰ কথালৈ যোজনা আয়োগৰ দৃষ্টি পুনৰ আকৰ্ষণ কৰিছোঁ।

আগতে উল্লেখ কৰা আলোচনাত যি আনুমানিক খৰচৰ হিচাপ উলিওৱা হৈছিল তাত ৰাজ্যৰ কৰ্ম্মচাৰীসকলক অতিৰিক্ত মৰগীয়া বানচ দিয়াৰ বাবে মাত্ৰ ৫ কোটি টকাহে ধাৰ্য্য কৰা হৈছে। এই ধনৰ পৰিমাণ নিচেই তাকৰ আৰু অহা পাঁচ বছৰৰ বাবে এই শিতানত অতি কমেও ১৬½ কোটি টকাৰ প্ৰয়োজন। সেই অনুপাতে চাহিদা পূৰণ কৰিবলৈ আমি অতিৰিক্ত কৰ-কাটল বঢ়ুৱাই সম্পদ আহৰণ কৰিব লাগিব।

চতুৰ্থ যোজনাৰ আকাৰ বৃহত্তৰ কৰাৰ উদ্দেশ্যে অতিৰিক্ত সম্পদ আহৰণৰ ব্যৱস্থা কৰিবলৈ যোজনা আয়োগে আমাক দঢ়াই দঢ়াই কৈ আছে। আমি দেখুৱাইছিলোঁ আৰু যোজনা আয়োগেও উপলব্ধি কৰিছিল যে অতিৰিক্ত কৰ বঢ়ুৱাই পোৱা ধনেৰে আমি আগতে উল্লেখ কৰা ৰাজহ আৰু মূলধন শিতানত হোৱা ঘাটি সম্পূৰ্ণৰূপে নহলেও আংশিকৰূপে পূৰণ কৰাত ব্যয় কৰিব লাগিব ; আৰু সেই হেতুকে যোজনাৰ আকাৰ বৃদ্ধি কৰাৰ বাবে কোনো সম্পদ নোলাব। অৱশ্যে আমি যদি যোজনাৰ বাবে অধিক সম্পদ আহৰণৰ ব্যৱস্থা কৰেঁা তেতিয়াহলে আমাৰ ঘাটি পূৰণ কৰাৰ বাবে আন উপায়েৰে সহায় কৰিবলৈ আয়োগে বিত্তমন্ত্ৰী দপ্তৰক অনুৰোধ জনাব। চতুৰ্থ যোজনাৰ পাঁচ বছৰৰ ভিতৰতে অতি কমেও অতিৰিক্ত ৫০ কোটি টকা আহৰণ কৰিবলৈ যোজনা আয়োগে আমাক হেঁচা দিছে। আমি ২৫ কোটি টকা সংগ্ৰহ কৰিম বুলি প্ৰতিশ্ৰুতি দিছোঁ। এই ২৫ কোটি টকাই আমাৰ যোজনাৰ আকাৰ বৃদ্ধি কৰাৰ লগে লগে ৰাজহ আৰু মূলধন ঘাটি পূৰণ কৰাত কেন্দ্ৰীয় চৰকাৰৰ পৰা সাহায্য পোৱাটো সম্ভৱ কৰি তুলিব। এনে বন্দৰস্ত আমাৰ পক্ষে সুবিধাজনক হব বুলি ভাবিছোঁ।

গতিকে চতুৰ্থ যোজনাৰ কালছোৱাত যোজনাৰ আকাৰ বৃদ্ধি কৰিবলৈ ২৫ কোটি টকাৰ অতিৰিক্ত সম্পদ আহৰণ আৰু মৰগীয়া বানচ দিয়াৰ কাৰণে অতিৰিক্ত আৱশ্যকীয় ১১½ কোটি টকাকে ধৰি মুঠ ৩৬½ কোটি টকাৰ অতিৰিক্ত সম্পদ আহৰণ কৰিব লাগিব। কিন্তু এইটো উপলব্ধি কৰা উচিত যে, কষ্ট স্বীকাৰ কৰি হলেও আমাৰ অৰ্থনীতিৰ বুনিয়াদ গঢ়াৰ উদ্দেশ্যে এই অতিৰিক্ত সম্পদ আহৰণ যদি নকৰোঁ তেতিয়াহলে চলি থকা আৰ্থিক ভাৰসাম্যহীন অৱস্থাৰ ওৰ নপৰে। তদুপৰি আমি যদি অতিৰিক্ত সম্পদ আহৰণ নকৰোঁ তেনেহলে যোজনা আয়োগ আৰু কেন্দ্ৰীয় চৰকাৰেও সন্মত হোৱা নিৰিখলৈকো ৰাজহৰ ঘাটি পূৰণ কৰিবলৈ নিবিচাৰিব পাৰে ; তেনে অৱস্থাত আমাৰ বিত্তীয় পৰিস্থিতি আৰু অভাৰড্ৰাফ্‌ট লাভৰ ক্ষেত্ৰত ব্যাঘাতৰ সৃষ্টি কৰিব। ভবিষ্যত সমৃদ্ধিৰ আঁচনি

প্ৰস্তুত কৰিবলৈ হ'লে বৰ্ত্তমানে আমি কিছু ত্যাগ স্বীকাৰ কৰাটো প্ৰয়োজন হৈ পৰিব। মই ইয়াতে উল্লেখ কৰিব খোজো যে ভাৰতৰ সকলো ৰাজ্যই অতিৰিক্ত সম্পদ আহৰণ কৰিবলৈ মান্তি হৈছে আৰু বিভিন্ন ৰাজ্যই বৃদ্ধি কৰিব খোজা সম্পদৰ পৰিমাণ হ'ল--

| | (কোটি টকাৰ হিচাপত) |
|---|---|
| অন্ধ্ৰ প্ৰদেশ .... .... .... .... | ১০০.০ |
| বিহাৰ .... .... .... ... .... | ১০০.০ |
| গুজৰাট ... .. .... .. | ১১৬.৭ |
| হাৰিয়ানা .... .... .... .... | ৩০.০ |
| জম্মু আৰু কাশ্মীৰ .... .... .... | ৯.০ |
| কেৰালা .. .... .... .... | ৬০.০ |
| মধ্য প্ৰদেশ .... .... .... .... | ১০০.০ |
| মহাৰাষ্ট্ৰ .... .... .... ... | ৫০.০ |
| মহীশূৰ .... .... .... ... .... | ৫০.০ |
| উৰিষ্যা .... ... ... .... | ৩৫.০ |
| পঞ্জাব .... .... .. .... .... | ৭৮.০ |
| ৰাজস্থান .... .... .... .... | ৪০.০ |
| তামিলনাড়ু .... .... .... .... | ৮৫.০ |
| উত্তৰ প্ৰদেশ .... .... .... .... | ১৭৫.০ |
| পশ্চিম বঙ্গ .... .... .... .... | ৮০.০ |

এই পৰিপ্ৰেক্ষিতত মই আশা কৰোঁ যে বিধান সভাৰ চলিত অধিবেশনত কৰ বহুৱাৰ যি প্ৰস্তাৱ দাঙি ধৰা হব, তাৰ আৱশ্যকতা উপলব্ধি কৰি সন্মানিত সদস্যসকলে সমৰ্থন আগবঢ়াব। সন্মানিত সদস্যসকলৰ আগত দাঙি ধৰিব খোজা নতুন কৰৰ প্ৰস্তাৱসমূহ হ'ল--(ক) অসম বিক্ৰীকৰ আইন, অসম বিত্তীয় (বিক্ৰীকৰ) আইন, অসম (পেট্ৰোলিয়াম আৰু পেট্ৰোলিয়াম জাতীয় দ্ৰব্যকে ধৰি মটৰ স্পিৰিট আৰু লুব্ৰিকেন্টৰ বিক্ৰী) কৰ আইন, অসম ক্ৰয় কৰ আইন, অসম বিদ্যুৎমগুলী কৰ আইন, অসম মটৰ ভেহিক্‌ল্ কৰ আইন, অসম বৃত্তি, বাণিজ্য, ব্যৱসায় আৰু নিয়োগ (কৰ) আইন, অসম কৃষি আয়কৰ আইন, অসম যাত্ৰী আৰু মালবস্তু কৰ আইন, অসম মদ নিবাৰণী আইন, ভাৰত মুদ্ৰাঙ্ক আইন আৰু আদালতৰ মাচুল আইনৰ কেতবোৰ সংশোধন; (খ) শিক্ষাকৰ আৰু ভূমি ৰাজহৰ ওপৰত ওপৰঞ্চি কৰ প্ৰণয়ন কৰিবলৈ লোৱা দুখন আইন।

## চতুৰ্থ যোজনা

পূৰ্ব্বতে ৰাজ্যখনৰ চতুৰ্থ যোজনা ২২৫·৫০ কোটি টকাত ধাৰ্য্য কৰা হৈছিল আৰু তাৰে ২২০ কোটি টকা আছিল কেন্দ্ৰীয় সাহায্য, ৫ কোটি টকা অসম বিদ্যুৎ মণ্ডলীয়ে লোৱা ঋণ আৰু ৫০ লাখ টকা জীৱন বীমা নিগমে ৰাজ্য চৰকাৰক গৃহ নিৰ্ম্মাণ কৰিবলৈ দিয়া ঋণ। পাছত থিৰাং কৰা হ'ল যে অসম বিদ্যুৎ মণ্ডলীয়ে ১৬ কোটি টকা ঋণ লব আৰু ২৫ লাখ টকাৰ আন এটি পুঁজি সমবায় বিভাগৰ কেতবোৰ আঁচনি কাৰ্য্যকৰী কৰাৰ বাবে ৰিজাৰ্ভ বেঙ্কৰ পৰা পোৱা হ'ব। ইয়াৰ ফলস্বৰূপে যোজনাৰ আকাৰ ২৩৬·৭৫ কোটি টকালৈ বঢ়াই দিবলৈ সিদ্ধান্ত কৰা হ'ল আৰু তাৰে ২২০ কোটি টকা কেন্দ্ৰীয় সাহায্য, ১৬ কোটি ৰাজ্যিক বিদ্যুৎ মণ্ডলীয়ে লোৱা ঋণ, ৫০ লাখ টকা জীৱন বীমা নিগমৰ পৰা লোৱা ঋণ আৰু ২৫ লাখ টকা ভাৰতৰ ৰিজাৰ্ভ বেঙ্কৰ পৰা পোৱা ঋণ। মই আগতে উল্লেখ কৰা অতিৰিক্ত ২৫ কোটি টকা যদিহে আমি যোগান ধৰিব পাৰো তেতিয়াহলে যোজনাৰ আকাৰ সেই অনুপাতে বৃদ্ধি পাব।

১৯৬৯-৭০ চনৰ বাৰ্ষিক-যোজনা বছৰটো বাৰ্ষিক-যোজনাৰ বাবে সদ্যহতে ৩৪·২১ৰ কোটি টকাও ধৰা হৈছিল। ওপৰত আগতে উল্লেখ কৰা কাৰণবশতঃ আৰু ২ কোটি ৫ লাখ টকাকে ধৰি যোজনাৰ আকাৰ ৩৬·২৬ কোটি টকালৈ ধাৰ্য্য কৰা হৈছে। এই বছৰৰ আঁচনিৰ কাৰণে ৰাজ্যিক বিদ্যুৎ মণ্ডলীয়ে আগতেই ৩ কোটি টকাৰ ঋণ লৈছে।

## যোজনা সাহায্যৰ ধৰণ

মই যোৱা বছৰৰ বাজেট বক্তৃতাত উল্লেখ কৰিছিলোঁ যে চতুৰ্থ যোজনাৰ কাৰণে দিয়া কেন্দ্ৰীয় সাহায্যৰ ধৰণ সলনি হৈছে। কেন্দ্ৰই সাহায্য দিয়া আৰু পোষকতা কৰা আঁচনিবোৰৰ ঠাইত মাত্ৰ দুই শ্ৰেণীৰ আঁচনিহে থাকিব, যেনে কেন্দ্ৰীয় খণ্ডৰ আঁচনি আৰু ৰাজ্যিক খণ্ডৰ আঁচনি। কেন্দ্ৰীয় খণ্ডৰ আঁচনিৰ বাবে ভাৰত চৰকাৰে সম্পূৰ্ণৰূপে বিত্তীয় সাহায্য দিব। ৰাজ্যিক খণ্ডত বিভিন্ন আঁচনিৰ বাবে যি নীতি অনুসাৰে বিভিন্ন ধৰণৰ ঋণ আৰু মঞ্জুৰী দিয়া হৈছিল সেই নীতি ত্যাগ কৰা হৈছে। এতিয়া ঠিৰাং কৰা হৈছে যে, কেন্দ্ৰীয় বিত্তীয় সাহায্য খণ্ড ঋণ আৰু খণ্ড মঞ্জুৰীৰ ভিত্তিত আগবঢ়োৱা হ'ব। শতকৰা ৭০ ভাগ সাহায্য ঋণ হিচাবে আৰু শতকৰা ৩০ ভাগ মঞ্জুৰী স্বৰূপে দিয়া হ'ব।

## একত্ৰিত পাৰ্ব্বত্য উন্নয়নমূলক আঁচনিৰ কাৰণে বিশেষ সাহায্য

এইখিনিতেই উপলব্ধি কৰা উচিত হ'ব যে একত্ৰিত পাৰ্ব্বত্য উন্নয়নমূলক আঁচনিৰ আচল লক্ষ্য হৈছে ষষ্ঠ অনুসূচীত জিলাসমূহৰ প্ৰশাসন আৰু সমাজসেৱাৰ ব্যৱস্থা ৰাজ্যৰ আন আন ঠাইৰ সমপৰ্য্যায়লৈ অনা। এই আঁচনিসমূহৰ পৰা ঋণ পৰিশোধ কৰাৰ নিমিত্তে কাচিৎহে ৰাজহ পোৱা যাব। সেই কাৰণে আমি পাৰ্ব্বত্য উন্নয়নমূলক আঁচনিৰ বাবে এক বিশেষ ধৰণৰ সাহায্যৰ ওপৰত জোৰ দিছিলোঁ আৰু তাৰ বাবে আমি শতকৰা ৯০ ভাগ সাহায্যমঞ্জুৰী আৰু শতকৰা ১০ ভাগ ঋণ বিচাৰিছিলোঁ। মই উল্লেখ কৰিবলৈ পাই আনন্দিত হৈছোঁ যে সুদীৰ্ঘ লিখালিখি আৰু আলোচনাৰ পাচত কেন্দ্ৰীয় যোজনা আয়োগে আৰু কেন্দ্ৰীয় বিত্তমন্ত্ৰী দপ্তৰে চতুৰ্থ যোজনাৰ কালছোৱাৰ বাবে আমাৰ প্ৰস্তাৱত সন্মতি দিছে। ই আমাৰ পাৰ্ব্বত্য উন্নয়নমূলক আঁচনিসমূহ কাৰ্য্যকৰী কৰাত বহুতো সহায় কৰিব আৰু আমাৰ প্ৰস্তাৱত মান্তি হোৱা বাবে মই যোজনা আয়োগ আৰু কেন্দ্ৰীয় বিত্তমন্ত্ৰী দপ্তৰলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ব্ৰহ্মপুত্ৰ বাননিয়ন্ত্ৰণ মণ্ডলী আৰু যাতায়াত

মই কবলৈ পাই সুখী হৈছোঁ যে ৰাজ্য চৰকাৰৰ অনুৰোধক্ৰমে ভাৰত চৰকাৰে ব্ৰহ্মপুত্ৰ উপত্যকাক বানপানীৰ কবলৰ পৰা ৰক্ষা কৰিবলৈ হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন ব্যৱস্থা লোৱৰ বাবে ব্ৰহ্মপুত্ৰ বাননিয়ন্ত্ৰণ মণ্ডলী গঠন কৰিছে। ব্ৰহ্মপুত্ৰ উপত্যকাত বাননিয়ন্ত্ৰণৰ দায়িত্ব ভাৰ থাকিব এই মণ্ডলীৰ ওপৰত আৰু অসম চৰকাৰে এই মণ্ডলীৰ নিৰ্দ্দেশ অনুযায়ী কাম কৰিবলৈ ব্ৰহ্মপুত্ৰ বাননিয়ন্ত্ৰণ আয়োগ গঠন কৰিব। চতুৰ্থ যোজনাৰ কালছোৱাত এনে আঁচনিসমূহৰ বাবে ব্যয় কৰিবলৈ ভাৰত চৰকাৰে আনুমানিক ৩০ কোটি টকা ধাৰ্য্য কৰিছে। ইয়াৰে আধা টকা ৰাজ্যিক চতুৰ্থ যোজনাত থকা ব্যৱস্থাৰ পৰা পোৱা হ'ব আৰু বাকী ১৫ কোটি টকা ৰাজ্যিক যোজনাত দিয়া হব বুলি ভাৰত চৰকাৰৰ পৰা আশ্বাস পোৱা গৈছে। ভাৰত চৰকাৰে ৰাজ্যিক যোজনাত কেনেকৈ এই ধন দিব সেই সম্পৰ্কে ৰাজ্যিক চৰকাৰে যোজনা আয়োগৰ লগত আলোচনা চলাই আছে।

বাজেট সম্বন্ধে বিশ্লেষণ কৰাৰ আগতে সন্মানিত সদস্যসকলক মই কেতবোৰ বিভাগৰ কাৰ্য্যসূচী আৰু উন্নয়নৰ ধাৰা সম্পৰ্কে ক'ব খুজিছোঁ। বিশদ ব্যাখ্যা কৰিবলৈ গৈ মই সন্মানিত সদনৰ সময় নষ্ট নকৰোঁ। একে কাৰণতে গতানুগতিকভাবে উন্নয়নমূলক কাম চলি থকা আন কেতবোৰ বিভাগৰ কথাও উল্লেখ নকৰোঁ।

কৃষি

চতুৰ্থ যোজনাৰ প্ৰথম বছৰটো (১৯৬৯-৭০) এক উজ্জ্বল সম্ভাৱনাৰে আৰম্ভ হয়। এই বছৰটোতে অসম কৃষি বিশ্ববিদ্যালয়টো প্ৰতিষ্ঠা কৰা হয়। এই বিশ্ববিদ্যালয়টোৱে কৃষি-শিক্ষা, গৱেষণা আৰু সম্প্ৰসাৰণৰ ক্ষেত্ৰত সুসমন্বিত উন্নয়নৰ এক উজ্জ্বল আশাৰ সঞ্চাৰ কৰিছে।

১৯৬৮-৬৯ চনত ২১.৯৭ লাখ টন খাদ্যশস্যৰ উৎপাদনে ৰেকৰ্ড প্ৰতিষ্ঠা কৰে। দুৰ্ভাগ্যবশতঃ প্ৰতিকূল বতৰৰ বাবে ১৯৬৯-৭০ চনত উৎপাদনৰ পৰিমাণ ১৯.৮ লাখ টনলৈ হ্ৰাস পায়। তথাপিও এই উৎপাদনৰ পৰিমাণ ১৯৬৭-৬৮ চনৰ উৎপাদনতকৈ বেছি। এই বছৰৰ শেষলৈকে অধিক উৎপাদনক্ষম সঁচৰ খেতি কৰা মাটিৰ পৰিমাণ ২,৯২,০০০ একৰ হবগৈ বুলি আশা কৰা হৈছে। ৰাজ্যখনৰ ১৮,০০০ একৰ মাটিত মেক্সিকান ঘেঁহুৰ খেতি কৰিবলৈ লোৱা লক্ষ্যৰ ঠাইত এই খেতি কৰা মাটিৰ পৰিমাণ ৩৫,০০০ একৰলৈ বঢ়াবলৈ নব উদ্যমেৰে অভিযান চলোৱা হৈছে।

মৰাপাটৰ উৎপাদনে ১৯৬৮-৬৯ চনৰ ৭.৭৮ লাখ গাঁথিৰ ঠাইত ১৯৬৯-৭০ চনত ১১.৩১ লাখ গাঁথিলৈ বৃদ্ধি পাইছে। ১৯৬৯-৭০ চনত ১৪টা খণ্ডত মৰাপাট উন্নয়ন আঁচনিৰ কাম চলি আছে। ১৯৬৮-৬৯ চনৰ ৩০,০০০ একৰ মাটিৰ ঠাইত মৰাপাটৰ উৎপাদন বঢ়াবলৈ ৯২০ একৰ মাটিত বিমানেৰে ইউৰিয়া ছটিওৱাকে ধৰি ৩৪,০০০ একৰ মাটিৰ মৰাপাটৰ পাতত ইউৰিয়া ছটিওৱা হৈছে। ৰাজ্যখনৰ প্ৰস্তাৱিত চেনিকল এলেকা আৰু আগৰ এলেকাসমূহত ব্যাপক ধৰণে কুঁহিয়াৰ উন্নয়নৰ কাম চলি আছে। উপযুক্ত উন্নত সঁচৰ প্ৰৱৰ্ত্তনৰ লগে লগে এই কাৰ্য্যসূচী আৰু সজোৰে চলোৱা হব।

খাদ্যশস্য আৰু নগদ ধন অৰ্জ্জা শস্যৰ আঁচনিৰ সম্প্ৰসাৰণৰ লগতে সাৰ, পোক-নাশক ঔষধ আৰু জলসিঞ্চনৰ দৰে সা-সামগ্ৰীৰ ব্যৱহাৰেও সমাদৰ লাভ কৰিছে। যোৱা বছৰত ৭.৩৭ লাখ টকা ব্যয় কৰি ৪৯ খন পথাৰ পৰিচালনা সমিতিৰ প্ৰায় ৩,০০০ একৰ মাটিত মুখ্য প্ৰদৰ্শনমূলক আঁচনিৰ কাম হাতত লোৱা হয়। ১৯৬৯-৭০ চনতো

এই আঁচনিৰ কাম চলি আছে আৰু অহা বছৰতো এই আঁচনিৰ কাম চলোৱা হ'ব। এই বছৰ ৰাজ্যখনত ব্যৱহাৰ কৰা সাৰৰ পৰিমাণ যোৱা বছৰত ব্যৱহৃত 80,000 টনতকৈ অধিক হব বুলি আশা কৰা হৈছে আৰু ১৯৭০-৭১ চনত এই সাৰৰ ব্যৱহাৰ ৮১,০০০ টনলৈ বৃদ্ধি কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে। মাটি পৰীক্ষা কৰা গৱেষণাগাৰ-সমূহৰ বৰ্ত্তমানৰ সামৰ্থ্য বঢ়াবলৈ স্থিৰ কৰা হৈছে আৰু ১০,০০০ একৰ মাটি উপকৃত কৰিবপৰাকৈ ১৯৬৯-৭০ চনৰ ভিতৰত ভূমি সংৰক্ষণৰ তিনিটা প্ৰচেষ্টা সম্পূৰ্ণ কৰাৰ আশা ৰখা হৈছে। ১৯৬৯-৭০ চনৰ ভিতৰত ২'৫৬ লাখ একৰ মাটিত শস্য সংৰক্ষণৰ ব্যৱস্থা কৰিবলৈ স্থিৰ কৰা হৈছে।

কৃষি বিভাগৰ ক্ষুদ্ৰ জলসিঞ্চন আঁচনিৰ শিতানত আৱহ জলসিঞ্চনৰ বাবে স্থায়ী পকী বান্ধৰ নিৰ্ম্মাণ কাৰ্য্যত আৰু সম্ভৱপৰ স্থলত সুসংহত খণ্ডসমূহত পাম্পেৰে পানী তোলা ব্যৱস্থা সক্ৰিয় কৰা কামত জোৰ দিয়া হব। কৃষি বিভাগৰ জলসিঞ্চন আঁচনি অনুযায়ী ১৯৬৯-৭০ চনৰ শেষলৈ ভৈয়াম অঞ্চলৰ প্ৰায় ১২,৫৮,০০০ একৰ মাটিত জলসিঞ্চনৰ ব্যৱস্থা কৰা হ'ব আৰু ১৯৭০-৭১ চনৰ শেষলৈ ভৈয়াম অঞ্চলৰ অতিৰিক্ত প্ৰায় ৩৪,৯৫০ একৰ আৰু পাৰ্ব্বত্য অঞ্চলৰ ১১,৭০০ একৰ মাটিত জলসিঞ্চনৰ ব্যৱস্থা কৰা হ'ব।

সমগ্ৰ ৰাজ্যখনৰ সাধাৰণ প্ৰগতিলৈ চাই পাৰ্ব্বত্য অঞ্চলৰ প্ৰগতি সন্তোষজনক। যোৱা বছৰৰ ২'৪৭ লাখ টন উৎপাদনৰ ঠাইত ১৯৬৯-৭০ চনত খাদ্যশস্য উৎপাদনৰ পৰিমাণ ২'৫৮ লাখ টন হব বুলি ধাৰণা কৰা হৈছে। পাৰ্ব্বত্য অঞ্চলতো সাৰৰ ব্যৱহাৰ আৰু অধিক উৎপাদনক্ষম সঁচৰ খেতি কৰা মাটিৰ পৰিমাণ বৃদ্ধি পোৱা দেখা গৈছে। পাৰ্ব্বত্য অঞ্চলসমূহত উদ্যান উন্নয়ন আঁচনিত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। উৎকৃষ্ট সঁচ, সাৰ আদিৰ ব্যৱহাৰৰ জৰিয়তে উন্নত পদ্ধতিৰে ফল-মূলৰ খেতি কৰাৰ বাবে ভৈয়ামৰ জিলাসমূহত প্ৰদৰ্শনমূলক আঁচনিৰ কামো হাতত লোৱা হৈছে।

## পশুপালন আৰু পশু-চিকিৎসা বিভাগ

পশুপালন আৰু পশু-চিকিৎসা বিভাগে গৰু-ম'হ আৰু হাঁহ-কুকুৰা উন্নয়নৰ আঁচনি ব্যাপক ভাৱে আৰম্ভ কৰিছে। গাখীৰৰ যোগান আঁচনিয়ে জনপ্ৰিয়তা লাভ কৰিছে যদিও গাখীৰ উৎপাদন আশানুৰূপ হবলৈ বহু বাকী আছে। গৰু-ম'হ আদিৰ সঁচৰাচৰতে হোৱা ৰোগসমূহ নিয়ন্ত্ৰণ আৰু নিৰ্ম্মূল কৰিবলৈ বিভিন্ন ধৰণৰ ছিটা প্ৰস্তুত কৰাৰ বাবে জীৱ-কোষ উৎপাদন শাখাটো আধুনিক ধৰণে প্ৰতিষ্ঠা কৰা হৈছে। ৰোগনিয়ন্ত্ৰণ কৰিবলৈ অধিক নিৰীক্ষণ আৰু নিয়ন্ত্ৰণ গোট প্ৰতিষ্ঠা কৰা হৈছে। ১৯৭০-৭১ চনৰ ভিতৰতে পূৰ্ব্বে আৰম্ভ কৰা কাম-কাজসমূহ সুপ্ৰতিষ্ঠিত আৰু সম্প্ৰসাৰণ কৰিবলৈ স্থিৰ কৰা হৈছে।

## সমবায়

ৰাজ্যখনৰ সমবায় আন্দোলনৰ ক্ষেত্ৰত গ্ৰাম্য ঋণদান বুজন পৰিমাণে বৃদ্ধি পাইছে। কৃষিঋণ সমিতিসমূহত কৃষকসকলৰ প্ৰাথমিক সদস্যৰ সংখ্যা শতকৰা ২৭'৮০ ভাগলৈ বৃদ্ধি হৈছে আৰু কৃষিঋণ সমিতিয়ে শতকৰা ৭০ খন গাওঁ সামৰি লৈছে। ১৯৭০-৭১ চনত এক ব্যাপক পৰিসৰৰ খেতিয়কসকলক হ্ৰস্ব আৰু মাধ্যমিক ধৰণৰ ঋণ দিয়াত 8 কোটি টকা ব্যয় কৰা হ'ব বুলি নিৰ্দ্ধাৰণ কৰা হৈছে আৰু ইয়াৰ ফলত গ্ৰাম্য জন-সংখ্যাৰ শতকৰা ৩৬ ভাগলৈকে ঋণ পাব পাৰিব। সমবায় বেচা-কিনা ব্যৱস্থা সম্প্ৰসাৰণ কৰাৰ অৰ্থে চতুৰ্থ পাঁচবছৰীয়া যোজনাত সমবায় সমিতিসমূহ সুদৃঢ় কৰাৰ বাবে বিশেষ প্ৰচেষ্টা চলোৱা হ'ব।

সমবায় প্ৰচেছিঙৰ ক্ষেত্ৰত ইয়াৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ সম্প্ৰসাৰণ কৰাৰ সুবিধা আছে। বৰ্ত্তমানে ১৯টা ধানবনা কলৰ কাম চলি আছে আৰু এই খণ্ডত আৰু ১১টা কল স্থাপন কৰা হ'ব। ১৯৭০-৭১ চনত ফল-মূল আৰু শাক-পাচলি আৰু তেলৰ গুটি আৰু এটা খাদ্যচাৰী গোটকে ধৰি আৰু কেইটামান প্ৰচেছিং গোট স্থাপন কৰাৰ কথা ভৰা হৈছে। ১১·৩৫ লাখ টকা ব্যয়সাপেক্ষে এটা মদৰ ভাটিকে ধৰি বৰুৱা বামুন-গাওঁৰ বৰ্ত্তমানৰ চেনিকলটো সম্প্ৰসাৰণ কৰাৰ উপৰিও ৰাজ্যখনত সমবায় ভিত্তিত আৰু এটা চেনিকল স্থাপনৰ সিদ্ধান্ত কৰা হৈছে। শিলঘাটত স্থাপিত সমবায় মৰাপাট কলটোও সম্পূৰ্ণৰ পথত আৰু ১৯৭০-৭১ চনৰ ভিতৰত ইয়াত উৎপাদনকাৰ্য্য আৰম্ভ কৰিব পৰা হ'ব বুলি আশা কৰা হৈছে।

সমবায় ভিত্তিত প্ৰতিষ্ঠিত তাঁত শিল্পই ক্ৰমশঃ প্ৰগতি লাভ কৰিছে। একীভূত বিদ্যুৎ-চালিত তাঁত-শালৰ উন্নয়নৰ বাবে কেইবাখনো আঁচনিৰ কাম হাতত লোৱা হৈছে আৰু এই আঁচনিসমূহত সমবায় খণ্ডত গুৱাহাটীৰ উদ্যোগিক পামত বিদ্যুৎচালিত তাঁত-শালৰ বাবে এটা প্ৰস্তুতিকাৰক আৰু প্ৰচেচিং কল আৰু ১৯২টা বিদ্যুৎ-চালিত তাতশাল বহুৱাৰ কথা স্থিৰ কৰা হৈছে। সমবায় উন্নয়নমূলক আঁচনিত সমবায় কৃষি পাম, যোগান, প্ৰশিক্ষণ আৰু শিক্ষাৰ আঁচনি কাৰ্য্যকৰী কৰাৰ বাবে ১৯৭০-৭১ চনত ৯·৩৩ লাখ টকা ধাৰ্য্য কৰা হৈছে।

## সমূহীয়া উন্নয়ন আৰু পঞ্চায়ত

সমূহীয়া উন্নয়ন আঁচনিয়ে বৰ্ত্তমানে ভৈয়াম অঞ্চলৰ ১২১টা খণ্ডৰে সমগ্ৰ গ্ৰাম্য অঞ্চল সামৰি লৈছে। পাৰ্ব্বত্য অঞ্চলত ৪২টা খণ্ড আছে আৰু তাৰে ২০টা খণ্ডই দ্বিতীয় পৰ্য্যায়োত্তৰ অৱস্থা পাইছে। গাওঁ পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়তৰ সংখ্যাও বৰ্ত্তমান যথাক্ৰমে ২৬০০ আৰু ১২১ লৈ বৃদ্ধি পাইছে। খাদ্য উৎপাদনৰ আঁচনি-সমূহৰ প্ৰতি যথেষ্ট দৃষ্টি ৰখা হৈছে। পাৰ্ব্বত্য অঞ্চলসমূহতো কৃষকসকলক জলসিঞ্চনৰ সুবিধা যোগোৱা আৰু উচিত মূল্যত সাৰৰ যোগান ধৰাত বিশেষ মনোযোগ দিয়া হৈছে। যান্ত্ৰিক উপায়েৰে মাটি আবাদ কৰাৰ বাবে খণ্ডবোৰক ট্ৰেক্টৰ দিয়া হৈছে। পাৰ্ব্বত্য অঞ্চলসমূহৰ ৰাইজৰ সক্ৰিয় সহযোগিতাৰ যোগেদি কেতবোৰ ৰাস্তাও নিৰ্ম্মাণ কৰা হৈছে আৰু অধিকতৰ গাওঁ ৰাস্তাৰে সংযোগ কৰাৰো প্ৰস্তাৱ লোৱা হৈছে। পৰ্ব্বত আৰু ভৈয়াম উভয় অঞ্চলতে ৩৬টা খণ্ডত প্ৰায়োগিক পুষ্টিসাধন আঁচনিৰ কাম চলোৱা হ'ব। "স্বাৱলম্বী গ্ৰাম্য সম্প্ৰদায়" (Viable Rural Communities) শীৰ্ষক এক নতুন আঁচনিৰ মুখ্য প্ৰচেষ্টা কাৰ্য্যকৰী কৰা হব।

## বাননিয়ন্ত্ৰণ আৰু জলসিঞ্চন—

ধেমাজী, শিৱসাগৰ, ধুবুৰী আদি ঠাইসমূহত আৰু কাছাৰ জিলাত এই বছৰ হোৱা প্ৰলয়ঙ্কৰী বানপানীৰ কথা আগতেই উল্লেখ কৰি অহা হৈছে। ভঙা মথাউৰি মেৰামতি কৰা আৰু গাঁথনিসমূহৰ ক্ষয়-ক্ষতি বোধ কৰাৰ বাবে লোৱা ব্যৱস্থাসমূহত ২৯৩ লাখ টকা ব্যয় কৰা হৈছে।

৩·০০ কোটি টকা ব্যয় কৰি ককিলামুখ অঞ্চলটো ৰক্ষা কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে। ধুবুৰী চহৰখন ৰক্ষা কৰিবলৈ ৮৮ লাখ টকাৰ এখন আঁচনি যুগুত কৰা হৈছে। তৃতীয় যোজনাৰ শেষলৈকে ১,৮৪৪·৪৪ লাখ টকা ব্যয় কৰি ২২৫৪ মাইল মথাউৰি আৰু ৪৫৩ মাইল নলা নিৰ্ম্মাণ কৰা হৈছে। ইয়াৰ ফলত ১৫,৩৪,০০০ একৰ মাটি উপকৃত হৈছে। ওপৰত উল্লেখ কৰা ব্যৱস্থাসমূহৰ বাহিৰেও এই কালছোৱাত কেইবাখনো চহৰত প্ৰতিৰক্ষাৰ কাম হাতত লোৱা হ'ব।

চতুৰ্থ যোজনাৰ কালছোৱাত ব্ৰহ্মপুত্ৰ নদীত পৰীক্ষামূলক খনন কাৰ্য্য চলোৱা হ'ব বুলি আশা কৰা হৈছে।

বান-নিয়ন্ত্ৰণ বিভাগে হাতত লোৱা মধ্যমীয়া জলসিঞ্চন আঁচনি দুখনৰ ভিতৰত যমুনা জলসিঞ্চন আঁচনিৰ কাম সম্পূৰ্ণ হৈছে আৰু ১৯৬৯ চনৰ আগষ্ট মাহৰ পৰা প্ৰায় ৪০,০০০ একৰ মাটিত পানীৰ যোগান ধৰা হৈছে। কামৰূপ জিলাৰ শুক্ৰা জলসিঞ্চন আঁচনিখন ২৯৮ লাখ টকা ব্যয় কৰি কাৰ্য্যকৰী কৰিবলৈ ওলোৱা হৈছে। নগাওঁ জিলাৰ কলিয়াবৰ চাৰ্কোলতো এখন ওপৰলৈ পানী তুলি জলসিঞ্চন কৰাৰ আঁচনি লোৱা হ'ব ধৰিছে।

বনাঞ্চল--

১৯৬৮-৬৯ চনত বৃক্ষৰোপণৰ সকলো আঁচনিৰ যোগেদি ২০০০ হেক্টৰ মাটিত নতুনকৈ বৃক্ষৰোপণৰ কাম কৰা হয়। ১৯৬৯-৭০ চনত বৃক্ষৰোপণৰ কামকাজ বৃদ্ধি কৰা হ'ব। ১৯৬৮-৬৯ চনত ১২৮.৪৪ কিলোমিটাৰ পথ নিৰ্ম্মাণ কৰা হয় আৰু ১৯৬৯-৭০ চনত ১৯৪.৫ কিলোমিটাৰ পথ নিৰ্ম্মাণ কৰিবলৈ স্থিৰ কৰা হৈছে। তদৰ্থ যোজনা কালছোৱাত উপযুক্ত-আৰু সুদক্ষ প্ৰশাসনীয় নিয়ন্ত্ৰণ ৰক্ষা কৰা আৰু দুৰ্গম বনাঞ্চলৰ পৰাও সম্পদ আহৰণৰ জৰিয়তে অধিক ৰাজহ সংগ্ৰহ কৰাৰ উদ্দেশ্যে দুটা নতুন সংমণ্ডলৰ সৃষ্টি কৰা হয়।

গছ-গছনি নোহোৱা অঞ্চলত গছগছনি ৰোৱা আৰু বন্য প্ৰাণী অভয়াৰণ্যৰ সুদক্ষ পৰিচালনাৰ উদ্দেশ্যে এটা নতুন বৃক্ষৰোপণ সংমণ্ডল আৰু নতুন বন্য প্ৰাণী সংমণ্ডল খুলিবলৈ মনস্থ কৰা হৈছে। বৰ্ত্তমানে থকা বন্য প্ৰাণী সংমণ্ডলৰ সদৰ কাৰ্য্যালয় গুৱাহাটীৰ পৰা বোকাখাটলৈ স্থানান্তৰিত কৰাৰ ফলত অভয়াৰণ্যত অনবৰত সতৰ্কতাৰে পহৰা দিব পৰাৰ বাবে কাজিৰঙা অভয়াৰণ্যত চোৰাং চিকাৰ বহু পৰিমাণে কমিছে।

সাধাৰণ শিক্ষা

প্ৰাথমিক শিক্ষাৰ বাহিৰে, সাধাৰণ শিক্ষাৰ সকলো স্তৰতে সম্প্ৰসাৰণতকৈ শিক্ষা-ব্যৱস্থাৰ সংগঠন আৰু উন্নয়নৰ ওপৰতহে অধিক গুৰুত্ব আৰোপ কৰা হৈছে। ৰাজ্যত অবাঞ্ছিত আৰু অপৰিকল্পিতভাৱে স্কুল আৰু কলেজৰ সংখ্যা বৃদ্ধিত বাধা দিবৰ কাৰণেই এই ব্যৱস্থা বেছি অপৰিহাৰ্য্য হৈ পৰিছে। মই জানিব পাৰিছোঁ যে ৰাজ্যখনত এনে কিছুমান কলেজ আছে য'ত ছাত্ৰৰ সংখ্যা অধ্যাপকতকৈ মাত্ৰ তিনি গুণহে বেছি। ঘৰ-দুৱাৰ, আহিলাপাতি, কমন ৰুম, ছাত্ৰসকলৰ সামগ্ৰিক জীৱনৰ আৰু অন্যান্য সা-সুবিধা আৰু সেইবিলাকৰ উন্নয়নৰ বাবে ধনৰ যোগান ধৰিব পৰা যাব নে নাযায় তাৰ প্ৰতি যথোপযুক্ত মনোযোগ নিদিয়াকৈ কলেজবিলাকক স্বীকৃতি দিয়াটো দুৰ্ভাগ্যৰ কথা। যথোপযুক্ত পুঁজি মজুত ৰখাৰ ওপৰতো গুৰুত্ব দিয়া হোৱা নাই। নৈশ শ্ৰেণীত ভৰ্ত্তি হোৱা স্থানীয় নিম্নখাপৰ চাকৰিয়ালসকল বদলি হলে নাইবা তেওঁলোকৰ পাঠ্যক্ৰম সম্পূৰ্ণ হলে তেওঁলোকে যদি নৈশ বিদ্যালয় এৰি দিয়ে তেন্তে তাৰ অৱস্থা কি হব তালৈ লক্ষ্য নৰখাকৈ স্থানীয় চাকৰিয়ালসকলৰ চাহিদা পূৰণৰ বাবে মুক্তভাৱে নৈশ শ্ৰেণীসমূহ খুলিবলৈ অনুমতি দিয়া হৈছে। আমি এই কথাও স্বীকাৰ কৰিব লাগিব যে ঘাটি পুঁজি পূৰণৰ মঞ্জুৰীদানৰ ক্ষেত্ৰত কোনো যুক্তিসঙ্গত মান নিৰ্দ্ধাৰণ কৰা হোৱা নাই আৰু তাৰোপৰি সেইবোৰ স্বাৱলম্বী হয় নে নহয় আৰু যি ঠাইত পতা হয় সেই ঠাইত প্ৰকৃততে তেনে অনুষ্ঠানৰ আৱশ্যকতা আছে নে নাই তাৰ প্ৰতিও লক্ষ্য ৰখা নহয়।

এনে কেতবোৰ উদ্দেশ্য সাধনত যোগাযোগ পাঠ্যক্ৰমেই (correspondence course) এনে অনুষ্ঠানতকৈ বেছি ভাল আৰু মিতব্যয়ী হ'লহেঁতেন নেকি বুলিও কিছুমানে ভাবে ।

চৰকাৰী নীতি উলঙ্ঘা কৰিও স্থাপন কৰা নতুন কলেজসমূহক স্বীকৃতি দিয়াৰ ক্ষেত্ৰত বিশ্ববিদ্যালয়সমূহে অৱলম্বন কৰা নীতিৰ প্ৰতি ৰাজ্য চৰকাৰে উদ্বিগ্নভাৱে লক্ষ্য কৰিছে । এই প্ৰসঙ্গত এইটো স্মৰণ কৰিবলগা কথা যে সমগ্ৰ ভাৰতবৰ্ষৰ ভিতৰত জনসংখ্যা অনুপাতে অসমতে কলেজৰ সংখ্যা সৰহ । ৰাজ্যত চিৰাচৰিত ধৰণৰ দুটাকৈ বিশ্ববিদ্যালয় আৰু ইতিমধ্যে স্থাপন কৰা কৃষি বিশ্ববিদ্যালয়খন থাকোতে স্নাতকোত্তৰ শ্ৰেণীসমূহ কেৱল বিশ্ববিদ্যালয়ৰ লগত থকাহে দৰকাৰ, কলেজসমূহত আৰম্ভ কৰিবলৈ দিব নালাগে বুলি সকলোৱে ভৰা দৰকাৰ । দুৰ্ভাগ্যবশতঃ এইটো কৰা হোৱা নাই । বিশ্ববিদ্যালয়সমূহৰ নীতি আৰু অগ্ৰাধিকাৰৰ ক্ষেত্ৰত ৰাজ্যখনৰ অতি কঠিন বিত্তীয় অৱস্থালৈ চকু ৰাখিব লাগে ।

উন্নয়নৰ কথা বাদ দিলেও আনকি এখন সুপ্ৰতিষ্ঠিত বেচৰকাৰী কলেজকো জৰুৰী চাহিদা পূৰণ কৰিবৰ বাবে এক শকত পুঁজিৰ আৱশ্যক । তেনে ক্ষেত্ৰত নতুনকৈ স্থাপিত কলেজবোৰৰ অৱস্থা কেনে হব পাৰে তাক সহজে অনুমান কৰিব পাৰি । মোৰ বোধেৰে বৰ্ত্তমানে থকা কলেজবোৰৰ ঘৰ-দুৱাৰ, ছাত্ৰ-ছাত্ৰীবাস, পুথিভঁৰাল, গৱেষণাগাৰ, খেল-পথাৰ, কমন ৰুম আৰু আন আন সুবিধাৰ যোগান ধৰাৰ বাবে পাবপৰা পুঁজিৰ সকলো ধন ন্যায়সঙ্গতভাবে কলেজবোৰৰ মাজত বিতৰণ কৰিব লাগে যাতে সেইবোৰ পুনৰ সম্প্ৰসাৰণ কৰাৰ আগতে এক ন্যূনতম মানদণ্ডলৈ আহিব পাৰে ।

বৰ্ত্তমানে থকা বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰসমূহৰ ছাত্ৰ ভৰ্ত্তি কৰিব পৰা ক্ষমতা সম্প্ৰসাৰণ কৰাৰ বাবে চলিত বছৰৰ আঁচনিত শিক্ষকৰ প্ৰশিক্ষণ সমস্যাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে । প্ৰশিক্ষণ নোপোৱা শিক্ষকসকলক প্ৰশিক্ষণ দিয়াৰ বাবে প্ৰাথমিক স্কুল শিক্ষক প্ৰশিক্ষণ আঁচনি অনুসৰি এহেজাৰ শিক্ষকক সংক্ষিপ্ত পাঠ্যক্ৰমত প্ৰশিক্ষণ দিয়া হ'ব । চলিত বছৰৰ আঁচনিত প্ৰাথমিক স্কুলসমূহৰ সা-সুবিধাৰ ওপৰত যথোপযুক্ত গুৰুত্ব দিয়া হৈছে ।

ৰাজ্যিক চৰকাৰে ক্ৰমাগতভাৱে ষষ্ঠমান শ্ৰেণীলৈকে বিনা মাচুলেৰে শিক্ষাদানৰ বাবে লোৱা নীতি অনুযায়ী চতুৰ্থমান শ্ৰেণীলৈকে বিনামাচুলৰ শিক্ষা প্ৰৱৰ্ত্তন কৰিবৰ বাবে ১৫ লাখ টকা ধাৰ্য্য কৰা হৈছে । শিক্ষা বিভাগে লোৱা নতুন আঁচনিসমূহৰ ভিতৰত উত্তৰ গুৱাহাটীত স্থাপন কৰা হিন্দী শিক্ষকৰ প্ৰশিক্ষণ কলেজ আৰু গুৱাহাটীত স্থাপিত সংস্কৃত কলেজৰ কথা উল্লেখ কৰিব পাৰি । গোৱালপাৰা জিলাৰ উপৰিও মঙ্গলদৈ আৰু বৰপেটা মহকুমাতো শিক্ষা বিভাগে বড়ো মাধ্যমৰ স্কুল পাতিছে । যদিও চলিত শিক্ষাবৰ্ষৰ কালছোৱাৰ পৰা কটন কলেজত পদাৰ্থ বিদ্যাত স্নাতকোত্তৰ শ্ৰেণী মুকলি কৰা হৈছে, অসমত চিৰাচৰিত ধৰণৰ দুটাকৈ বিশ্ববিদ্যালয় থকা আৰু নতুনকৈ আন এটি বিশ্ববিদ্যালয় স্থাপনৰ সম্ভাৱনাৰ পৰিপ্ৰেক্ষিতত শিক্ষাৰ পুনৰাবৃত্তি আঁতৰাবলৈ স্নাতকোত্তৰ শ্ৰেণীসমূহ কেৱল বিশ্ববিদ্যালয়তহে থকা উচিত বুলি চৰকাৰে ভাবে ।

<u>কাৰিকৰী শিক্ষা</u>—

কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰতো ১৯৬৯-৭০ চনৰ কালছোৱাত নতুন কোনো সম্প্ৰসাৰণ আঁচনি লোৱা হোৱা নাই । মাননীয় সদস্যসকলে জানে যে ঔদ্যোগিক আৰু উন্নয়ন আঁচনিৰ এটা স্তৰত কাৰিকৰী লোকৰ অভাৱে যি এক জটিল সমস্যাৰ সৃষ্টি কৰিছিল,

বৰ্ত্তমানে সেই অভাব পূৰ হোৱাৰ উপৰিও অভিযান্ত্ৰিক স্নাতক আৰু ডিপ্লমাধাৰীৰ সংখ্যা প্ৰয়োজনতকৈ বেছি হৈ পৰিছে। ইঞ্জিনীয়াৰিং কলেজ আৰু পলিটেক্‌নিক্‌ স্কুলসমূহত ইতিমধ্যে বছেৰেকীয়া ছাত্ৰ ভৰ্ত্তিৰ সংখ্যা কমি আহিবলৈ ধৰিছে। বৰ্ত্তমানে থকা শিক্ষানুষ্ঠানসমূহ সুসংগঠিত কৰি কাৰিকৰী শিক্ষাৰ মান উন্নত কৰাৰ বাবে চেষ্টা চলোৱা হৈছে। কিন্তু আঞ্চলিক চাহিদা পূৰণৰ বাবে আৰু আগতে লোৱা সিদ্ধান্ত অনুযায়ী শিলচৰত স্থাপন কৰিবলগা আঞ্চলিক অভিযান্ত্ৰিক কলেজৰ কাম চলি আছে। দেশৰ উদ্যোগিক বাতাবৰণ উন্নত হোৱাৰ ফলত যদিও অভিযান্ত্ৰিক স্নাতক আৰু ডিপ্লমাধাৰীৰ নিয়োগৰ অৱস্থাৰো উন্নতি হৈছে তথাপিও স্নাতক পাঠ্যক্ৰমত নতুন নতুন বিষয় অন্তৰ্ভুক্ত-কৰাৰ লগতে বিভিন্ন ধৰণৰ উদ্যোগ গঢ়ি উঠালৈ লক্ষ্য ৰাখি ডিপ্লমা পাঠ্যক্ৰমতো বিভিন্ন বিষয় সাঙুৰি লবলগা হৈছে। এই উদ্দেশ্যেৰে ১৯৭০-৭১ চনৰ বছৰেকীয়া যোজনাত স্নাতক পাঠ্যক্ৰমৰ পুনৰবিন্যাস, ডিপ্লমা পাঠ্যক্ৰমত বিভিন্ন বিষয়ৰ অন্তৰ্ভুক্তি-কৰণ, প্ৰতিভা বিকাশ আদি নতুন আঁচনি লবলৈ প্ৰস্তাৱ কৰা হৈছে। পাৰ্ব্বত্য অঞ্চলৰ যোজনাত শ্বিলং পলিটেক্‌নিক্‌ৰ উন্নয়নৰ উপৰিও হাফলঙৰ জুনিয়ৰ টেক্‌নিকেল স্কুলৰ ঘৰ-দুৱাৰ নিৰ্ম্মাণৰ কাম হাতত লোৱা হ'ব বুলি প্ৰস্তাৱ কৰা হৈছে।

ঐতিহাসিক গৱেষণাৰ ক্ষেত্ৰত বুৰঞ্জী আৰু পুৰাতত্ত্ব অধ্যয়ন বিভাগে ধাৰাবাহিক উন্নতি কৰি আহিছে আৰু বৰ্ত্তমানে ই এটা পূৰ্ণ পৰ্য্যায়ৰ গৱেষণা প্ৰতিষ্ঠানৰূপে গঢ় লৈছে। অলপতে আমবাৰীত উদ্ধাৰ হোৱা নৱম-দশম শতিকাৰ প্ৰত্নতাত্ত্বিক আৱিষ্কাৰসমূহে অসম বুৰঞ্জীত নতুন পোহৰ পেলাইছে আৰু জনসাধাৰণক ই গভীৰ-ভাৱে অনুসন্ধিৎসু কৰি তুলিছে। টাই ভাষা আৰু আন আন পুৰণি পাণ্ডুলিপি আৰু তাম্ৰফলি সংগ্ৰহ কৰাৰ উপৰিও এই বিভাগে এনে বুৰঞ্জীমূলক আৰু সাংস্কৃতিক মূল্য-সম্পন্ন পুথিসমূহ প্ৰকাশ কৰাৰ কাম হাতত লৈছে।

## স্বাস্থ্য আৰু চিকিৎসা

কলেৰা আৰু বসন্তৰ দৰে সংক্ৰামক ব্যাধিৰ পৰা যদিও ৰাজ্যখন সম্পূৰ্ণভাৱে মুক্ত নহয় কেইখনমান জিলাত স্বাস্থ্য বিভাগে ইয়াৰ বাবে ব্যাপক ব্যৱস্থা লোৱাৰ ফলত এই ব্যাধি আন আন অঞ্চললৈ সোঁচৰাত বাধা দিবলৈ সক্ষম হৈছে। বসন্ত নিৰ্ম্মূল আঁচনি প্ৰৱৰ্ত্তন কৰা সত্ত্বেও বহুতো লোকে নিজে টিকা নলয় আৰু লৰা-ছোৱালীকো কম বয়সত টিকা দিবলৈ মান্তি নহয়। এই সমস্যাটো সমাধান কৰিবলৈ পঞ্চায়তৰ সহযোগ বিচৰাৰ উপৰিও ৰাজ্যখনত টিকা লোৱা বাধ্যতামূলক কৰিবলৈ আইন প্ৰণয়ন কৰাৰ কথা চৰকাৰে বিবেচনা কৰিছে। এই বিভাগে বিশেষকৈ পিচপৰা সম্প্ৰদায়ৰ মাজত থকা যক্ষা, কেন্সাৰ আৰু কুষ্ঠৰ দৰে মাৰাত্মক ৰোগসমূহৰ নিয়ন্ত্ৰণৰ বাবে ইয়াৰ কাম-কাজ সম্প্ৰসাৰণ কৰাৰো ব্যৱস্থা হাতত লৈছে। বৰ্ত্তমানে ৰাজ্যখনত ১০৫ টা প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ কাম চলি আছে আৰু এই বছৰটোৰ ভিতৰত আৰু কেইবাটাও এনে কেন্দ্ৰ মুকলি কৰা হব। এতিয়া প্ৰায় গোটেই কেইখন জিলা আৰু মহকুমাৰ সদৰত ৰঞ্জনৰশ্মি যন্ত্ৰ আছে।

এতিয়া ১১৪ টা পৰিয়াল পৰিকল্পনা কল্যাণ কেন্দ্ৰ চলি আছে আৰু ভাৰত চৰকাৰৰ সংশোধিত পদ্ধতি অনুযায়ী প্ৰাথমিক স্বাস্থ্য-কেন্দ্ৰৰ সৈতে তেনে ধৰণৰ আৰু ৫০ টা গাৱঁলীয়া কেন্দ্ৰ আৰু বৰ্ত্তমানৰ ১১৪ টা কেন্দ্ৰ ৰূপান্তৰিত কৰি ৭০ টা উপকেন্দ্ৰ স্থাপন কৰিবলৈ বৰ্ত্তমানে প্ৰস্তাৱ কৰা হৈছে। ইণ্ট্ৰাইউটেৰাইন কণ্ট্ৰাচেপ্‌টিভ্‌ ডিভাইচ, ভ্ৰাম্যমান গোট, বন্ধ্যাকৰণ গোট, তথ্য আৰু মূল্যাঙ্কন গোট ইত্যাদিত বৰ্দ্ধিত সা-সুবিধাৰে জিলা পৰিয়াল-পৰিকল্পনা কাৰ্য্যালয়সমূহ চলি আছে। ৰাজ্যৰ পৰিয়াল পৰিকল্পনা আঁচনি খনৰ কামৰ লগত মাতৃমঙ্গল আৰু শিশু কল্যাণ আঁচনিৰ কামৰ সমন্বয় ৰখা হৈছে।

বাজ্যখনৰ বীমাকৃত বনুৱাসকলক চিকিৎসাৰ সা-সুবিধা যোগোৱাৰ উদ্দেশ্যে ১৯৫৮ চনৰ শেষৰ ফালে কৰ্ম্মচাৰীৰ ৰাজ্যিক বীমা আঁচনিখন প্ৰৱৰ্ত্তন কৰা হয়। ৫ খন চিকিৎসালয়ৰ সৈতে এই আঁচনিৰ কাম আৰম্ভ কৰা হৈছিল। বৰ্ত্তমান এনে চিকিৎসালয়ৰ সংখ্যা ১২ খন হৈছেহি আৰু অন্য ৩ খন চিকিৎসালয় নতুনকৈ আৰম্ভ কৰাৰ সম্ভাৱনা আছে।

নিম্ন স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীৰ শিক্ষাদানৰ ক্ষেত্ৰত অসম মেডিকেল কলেজ আৰু গুৱাহাটী মেডিকেল কলেজে সন্তোষজনক ভাবে অগ্ৰগতি লাভ কৰিছে। ১১ টা বিষয়ত ইতিমধ্যে স্নাতকোত্তৰ শ্ৰেণী খোলা হৈছে। শিলচৰ মেডিকেল কলেজৰ প্ৰাক-মেডিকেল শ্ৰেণীৰ কাম গুৰুচৰণ কলেজত চলাই থকা হৈছে আৰু প্ৰথম এম, বি, বি, এচ, শ্ৰেণীৰ কাম ১৯৬৯-৭০ চনৰ শিক্ষাবৰ্ষৰ পৰা কলেজৰ নিজস্ব ভৱনত আৰম্ভ কৰা হৈছে। কলেজৰ নিজা মাটিত হাস্পতাল ভৱনকে ধৰি অন্যান্য ভৱন নিৰ্ম্মাণৰ কাম ইতিমধ্যে হাতত লোৱা হৈছে।

চৰকাৰী কৰ্ম্মচাৰীসকলক চিকিৎসাৰ সা-সুবিধা দিবৰ বাবে শ্বিলঙত প্ৰথমতে প্ৰৱৰ্ত্তন কৰা বৰঙণিমূলক স্বাস্থ্যসেৱা আঁচনিৰ কাম বৰ্ত্তমান গুৱাহাটী আৰু শিলচৰলৈও সম্প্ৰসাৰণ কৰা হৈছে।

শ্ৰম

সাধাৰণ বনুৱা পৰিস্থিতি আৰু ঔদ্যোগিক সম্পৰ্ক যথেষ্ট সন্তোষজনক বুলিয়েই কব পাৰি। অৱশ্যে আমাৰ ৰাজ্যখনত ধৰ্ম্মঘট আৰু তলাবন্ধৰ ঘটনা একেবাৰে নোহোৱা নহয়। ধনশিৰি চাহ বাগিচাত এনে ঘটনাত অশান্ত জনতাৰ ওপৰত পুলিচে গুলী চলাবলগীয়া হয়। কোনো বাধ্যবাধকতাৰ পদ্ধতি অৱলম্বন নকৰাকৈ পশ্চিমবঙ্গতকৈ অসমৰ চাহ বনুৱাসকলক উচ্চতৰ দৰমহাৰ হাৰ দিয়াৰ বাবে স্বাক্ষৰিত ত্ৰিপাক্ষিক চুক্তি বছৰটোৰ আটাইতকৈ উল্লেখযোগ্য সফলতা। তদুপৰি ছমাহ কাম কৰা অস্থায়ী বনুৱাক সাময়িক বনুৱা বুলি নধৰিবলৈ স্থিৰ কৰাৰ উপৰিও ১৯৬৯ চনৰ ১ জানুৱাৰী তাৰিখৰ পৰ্য্যায়তে নিয়োগৰ পৰিমাণ ৰাখিবলৈ সন্মত হয়। ভাৰত চৰকাৰৰ বিত্তমন্ত্ৰীৰ সৈতে আলোচনা কৰোতে মই চাহ বনুৱা আইন অনুসৰি বিনামূলীয়া বাসস্থানৰ সুবিধা দিয়াৰ সমস্যাটোৰ কথা আৰু লগতে এই যোজনাত বাসস্থান নিৰ্ম্মাণৰ বাবে পুঁজিৰ আৱশ্যকতাৰ কথা উত্থাপন কৰিছিলোঁ। কিয়নো এনে এটা পুঁজি অবিহনে প্ৰায় ১০ বছৰে অনগ্ৰসৰ হৈ থকা গৃহনিৰ্ম্মাণৰ কাম সম্পূৰ্ণ কৰি তোলা কঠিন হ'ব। আশা কৰা হৈছে যে এই আঁচনিৰ কাম আৰম্ভ কৰিবলৈ ভাৰত চৰকাৰে ৰাজ্যিক যোজনাৰ বহিৰ্ভুত কেন্দ্ৰীয় খণ্ডত বছৰি ২ কোটিকৈ ১০ কোটি টকা চতুৰ্থ যোজনাত দিব।

বিভিন্ন বনুৱা আইনৰ ব্যৱস্থাসমূহ যাতে যথোপযুক্তভাৱে কাৰ্য্যকৰী কৰা হয় তাৰ কাৰণে সকলো চেষ্টাকে চলোৱা হৈছে। বছৰটোত শিল্পবিদ্যা প্ৰশিক্ষণকে ধৰি বিভাগীয় কল্যাণমূলক আৰু বনুৱাৰ শিক্ষা আঁচনিৰ কাম-কাজসমূহ চলাই থকা হৈছে আৰু আৱশ্যক অনুযায়ী ইয়াৰ সম্প্ৰসাৰণ কৰা হৈছে।

নিয়োগ পৰিস্থিতি

নিয়োগ সেৱা সংঘটনে চৰকাৰী খণ্ডৰ প্ৰতিষ্ঠান আৰু ১০ জন বা ততোধিক লোকক নিয়োগ কৰা বেচৰকাৰী খণ্ডৰ প্ৰতিষ্ঠানত প্ৰত্যক্ষভাৱে নিয়োগ কৰা লোকৰ সংখ্যা সম্পৰ্কে

চলোৱা সমীক্ষাৰ পৰা এইটো দেখা গৈছে যে অসমৰ সৰ্ব্বমুঠ নিয়োগ পৰিস্থিতি শতকৰা ৫ ভাগ হ্রাস পাইছে অৰ্থাৎ ১৯৬৮ চনৰ মাৰ্চ্চৰ শেষলৈকে নিয়োগৰ সংখ্যা আছিল ৭৩৭.৮৫ আৰু ১৯৬৯ চনৰ মাৰ্চ্চৰ শেষলৈকে এই সংখ্যা হয়গৈ ৭০০.৭৭ জন। চৰকাৰী খণ্ডত নিয়োগৰ সংখ্যা বৃদ্ধি পায় শতকৰা ৩.৯ ভাগ ( অৰ্থাৎ ৯৫৭০ জন) । আনহাতে বেচৰকাৰী খণ্ডত নিয়োগৰ পৰিমাণ হ্রাস পায় শতকৰা ৯.৪ ভাগ ( অৰ্থাৎ ৪৬৬৫০ জন) । অৰ্দ্ধ চৰকাৰী প্ৰতিষ্ঠানত নিয়োগৰ সংখ্যা অৱশ্যে সামান্য পৰিমাণে বৃদ্ধি পায় । নিৰ্ম্মাণকাৰ্য্য সম্পূৰ্ণ হোৱাৰ ফলত ৰেল বিভাগতো নিয়োগৰ সংখ্যা হ্রাস পায় । চাহ উদ্যোগতো নিয়োগৰ পৰিমাণ হ্রাস পোৱা দেখা গৈছে ।

নিয়োগ বিনিময়ৰ পৰিসংখ্যাৰ পৰাও ১৯৬৯ চনৰ বছৰটোত নিবনুৱা সংখ্যা যথেষ্ট পৰিমাণে বৃদ্ধি পোৱা দেখা গৈছে । অকাৰিকৰী লোকৰ মাজতেই বাইকৈ নিবনুৱা লোকৰ সংখ্যা বৃদ্ধি পোৱা দেখা যায় । শিৱসাগৰ জিলাতে কাৰিকৰী আৰু অৰ্দ্ধকাৰিকৰী চাকৰি প্ৰাৰ্থীৰ সংখ্যা যথেষ্ট বেছি । খাছী আৰু জয়ন্তীয়া জিলা আৰু কামৰূপ জিলাত স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰীধাৰী নিবনুৱা লোকৰ সংখ্যা বৃদ্ধি পোৱা দেখা গৈছে । লক্ষীমপুৰ, শিৱসাগৰ আৰু কাছাৰ জিলাত প্ৰাক্-বিশ্ববিদ্যালয়, উচ্চ মাধ্যমিক আৰু প্ৰৱেশিকা পৰীক্ষা পাচ কৰা নিবনুৱাৰ সংখ্যা যথেষ্টভাৱে বৃদ্ধি পোৱা দেখা গৈছে । ডিগ্ৰীধাৰী আৰু ডিপ্লোমাধাৰী আভিযান্ত্ৰিক লোকৰ মাজতো নিবনুৱাৰ সংখ্যা বৃদ্ধি পাইছে ।

জনশক্তিৰ সমস্যাৰ লগত সংশ্লিষ্ট সকলো লোকে নিয়োগ-বিনিময় বিভাগৰ বিশেষ সেৱা আঁচনিৰ অন্তৰ্ভুক্ত নিয়োগ বজাৰ তথ্য, (Employment Market Information) ব্যৱসায়িক নিৰ্দ্দেশনা (Vocational guidance) আদিয়ে যোগোৱা সা-সুবিধা বৰ্ত্তমানে গ্ৰহণ কৰিছে । আনুষ্ঠানিক আৰু ঔদ্যোগিক শিক্ষানবীচ প্ৰশিক্ষণ আদিকে লৈ কাৰিকৰী প্ৰশিক্ষণ আঁচনিখন যথেষ্ট পৰিমাণে সম্প্ৰসাৰণ কৰা হৈছে । যোজনা আয়োগৰ কাৰিকৰী প্ৰশিক্ষণৰ কাৰ্য্যবাহী দলৰ পৰামৰ্শ অনুযায়ী যোজনাত ধৰা অধিকাংশ ধা ইতিমধ্যে প্ৰৱৰ্ত্তন কৰ বিষয়সমূহৰ সা-সঁজুলি আৰু গৃহনিৰ্ম্মাণ আৰু কম জনপ্ৰিয় কাৰিকৰী বিষয়সমূহ অধিক জনপ্ৰিয় কৰি তোলা কামত ব্যয় কৰা হয় । প্ৰথম যোজনাৰ পৰা ১৯৬৯ চনৰ শেষলৈকে বিভিন্ন ঔদ্যোগিক প্ৰতিষ্ঠানৰ পৰা মুঠতে ৯৫৩৮ জন প্ৰশিক্ষাৰ্থীয়ে কৃতকাৰ্য্যতাৰে কাৰিকৰী প্ৰশিক্ষণ সমাপ্ত কৰিছে । শিক্ষানবীচ প্ৰশিক্ষণ আঁচনিত চতুৰ্থ পৰিকল্পনাৰ শেষলৈ ৩০০ আসনৰ লক্ষ্য পূৰণ কৰিবলৈ অতিৰিক্ত সা-সুবিধা কৰাৰ কথা ভবা হৈছে ।

সকলো ৰাজ্যিক যোজনাকে নিয়োগমুখী কৰা হৈছে যদিও শ্ৰমশক্তিত নতুনকৈ যোগ দিয়া সকলো লোককে এইবোৰে যথোপযুক্ত নিয়োগৰ সুবিধা দিব নোৱাৰে। চতুৰ্থ যোজনাখন কৃষি অভিমুখী কৰা হৈছে । দুটা শস্য কৰাৰ বাবে যিমানেই জলসিঞ্চনৰ ব্যৱস্থা কৰিব পাৰোঁ, আমি নিয়োগৰ সুবিধাও সিমানেই লাভ কৰিব পাৰিম । ভূমিহীনসকলক নিয়োগৰ সুবিধা দিয়াৰ বাবে কেতবোৰ সংৰক্ষিত অঞ্চল মুকলি কৰি দিয়া হৈছে । ৰাজ্যখনৰ দ্ৰুত শিল্পোন্নয়নতো বিশেষ মনোযোগ দিয়া হৈছে । প্ৰধান মন্ত্ৰীয়ে ঘোষণা কৰা "পেকেজ" আঁচনিয়ে আনুষঙ্গিক উদ্যোগসমূহ গঢ়ি উঠাত সহায় কৰিব আৰু যোজনাৰ শেষৰ ফালে এই সমস্যাটোৰ উপশম ঘটোৱাত কিছু পৰিমাণে অৰিহনা যোগাব । স্থানীয় সম্পদ আৰু মজলীয়া ধৰণৰ কাৰিকৰী বিদ্যাৰ ভিত্তিত নগৰৰ দাঁতিকাষৰীয়া আৰু গ্ৰাম্য অঞ্চলত কৃষিভিত্তিক উদ্যোগ প্ৰতিষ্ঠাত অধিক গুৰুত্ব আৰোপ কৰিব লাগিব ।

## বিদ্যুৎশক্তি আৰু গ্ৰাম্য বৈদ্যুতিকৰণ

অসম ৰাজ্যিক বিদ্যুৎ মণ্ডলী আৰু অসম চৰকাৰে নামৰূপত পঞ্চম থাৰ্মেল গোটটো কিম্বা খাচী পাহাৰৰ কীৰদেমকুলাই জলবিদ্যুৎ প্ৰকল্পটো স্থাপন কৰিবৰ কাৰণে জোৰ দি আহিছে। ভাৰত চৰকাৰে ১৯৭৬-৭৭ চনৰ পৰা ল'গটক জলবিদ্যুৎ প্ৰকল্পৰ পৰা ৩০ মেগাৱাট বিজুলীশক্তি যোগোৱাৰ সিদ্ধান্ত লৈছে। ভৱিষ্যতে হোৱা বিজুলীশক্তিৰ অভাৱ আংশিক ভাৱে কয়লাভিত্তিক থাৰ্মেল কেন্দ্ৰৰ পৰা আৰু সৰহখিনি জলবিদ্যুৎ শক্তিৰ পৰা পূৰণ কৰিব লগা হ'ব। নামৰূপ প্ৰকল্পৰ চতুৰ্থ যন্ত্ৰৰ পৰা ১৯৭১-৭২ চনত বিজুলীশক্তি উৎপাদন আৰম্ভ কৰিব পৰা হ'ব বুলি আশা কৰা হৈছে আৰু উমিয়াম জলবিদ্যুৎ প্ৰকল্পৰ দ্বিতীয় পৰ্য্যায়ৰ কাম ১৯৭০-৭১ চনত আৰু গাৰো পাহাৰ থাৰ্মেল প্ৰকল্পৰ কামো ১৯৭১-৭২ চনত সম্পূৰ্ণ হ'ব বুলি আশা কৰা হৈছে। নতুনকৈ বিজুলী শক্তি উৎপাদনৰ লগে লগে ট্ৰেন্সমিশ্যন পদ্ধতিৰো নিখুঁত ভাৱে পৰীক্ষা চলাই থকা হৈছে যাতে যাই লাইনসমূহৰ নিৰ্ম্মাণ অতীব মিতব্যয়ী বিজুলী শক্তি প্ৰবাহৰ লগত খাপ খুওৱা হ'ব। আন্তঃ ৰাজ্যিক বিজুলী শক্তি যোগানৰ ক্ষেত্ৰত নগালেণ্ড আৰু উত্তৰ-পূৱ সীমান্ত প্ৰশাসনৰ কেতবোৰ ঠাইত বিজুলীশক্তি যোগান ধৰাৰ উপৰিও ১৯৭০ চনৰ জানুৱাৰীৰ পৰা ত্ৰিপুৰালৈও বিজুলী শক্তিৰ যোগান ধৰা হৈছে আৰু গুৱাহাটী-বঙাইগাওঁ বিদ্যুৎ সংযোগ লাইন সম্প্ৰসাৰণ কৰি পশ্চিম বঙ্গলৈ বিজুলী শক্তিৰ যোগান ধৰিবলৈ কৰা এখন চুক্তিৰ কামো প্ৰায় সম্পূৰ্ণ হৈছে।

সীমিত সম্পদেৰে অসম ৰাজ্যিক বিদ্যুৎ মণ্ডলীয়ে এতিয়ালৈকে ২৯৭ খন গাওঁ, ১৫০খন চাহ বাগিচাত বিজুলী শক্তিৰ যোগান ধৰিছে আৰু কৃষিকাৰ্য্যৰ কাৰণে ৫৪টা পাম্প স্থাপন কৰিছে। ৰাজ্যিক জলসিঞ্চন কমিটি এখনে সম্প্ৰতি জলসিঞ্চনৰ বাবে বিদ্যুৎশক্তিৰ যোগান ধৰিবলৈ বিদ্যুৎ কৃষি আৰু জলসিঞ্চন বিভাগৰ কামৰ মাজত সমন্বয় সাধন কৰি আছে।

অসম চৰকাৰে ৰাজ্যিক বিদ্যুৎ মণ্ডলীৰ কাম-কাজ সম্বন্ধে তদন্ত কৰিবৰ বাবে গঠন কৰা তদন্ত আয়োগখনে খৰতকীয়াকৈ তদন্ত সমাধা কৰিবৰ বাবে চেষ্টা চলাই আছে। বিভিন্ন জিলাসমূহত উপদেষ্টা সমিতি গঠন কৰাৰ ফলত সকলোৱে সহযোগিতাত স্থানীয় অসুবিধা আৰু অভিযোগবোৰ আঁতৰোৱা সম্ভৱ হ'ব বুলি আশা কৰা যায়।

## শিল্প

ভাৰত চৰকাৰে ৰাজ্যৰ তেল শোধনৰ ক্ষমতা প্ৰায় এক নিযুত মেট্ৰিক টনলৈ বৃদ্ধি কৰিব বুলি প্ৰতিশ্ৰুতি দিছে আৰু পেকেজ আঁচনি অনুসৰি ৰাজ্যত পেট্ৰকেমিকেল কমপ্লেক্স, কাগজৰ কল স্থাপন আৰু বোকাজানৰ চিমেন্ট কাৰখানাৰ প্ৰাৰম্ভিক কাম আৰম্ভ হ'ব আৰু গুৱাহাটী শোধনাগাৰৰ তেল শোধনৰ ক্ষমতা ১·১ নিযুত মেট্ৰিক টনলৈ বৃদ্ধি পাব। কিছুমান বেচৰকাৰী সংঘটন আৰু বিহাৰ চৰকাৰৰ সহযোগিতাত স্থাপন কৰিব খোজা কাগজৰ কলৰ প্ৰচেষ্টা সম্বন্ধে চূড়ান্ত সিদ্ধান্ত লোৱাৰ কথাটো চৰকাৰৰ বিবেচনাধীন হৈ আছে। চৰকাৰে ১৯৬৯ চনত অসমত ধন বিনিয়োগ কৰিবলৈ বিভিন্ন ধৰণেৰে প্ৰেৰণা যোগাব বুলি ঘোষণা কৰিছিল। চৰকাৰী আৰু বেচৰকাৰী খণ্ডত ধন বিনিয়োগ কৰিবলৈ প্ৰেৰণা যোগোৱাৰ আৰু উৎপাদনৰ খৰচ আৰু বস্তুৰ দাম কমোৱাত সহায় কৰি অসমৰ পৰা উৎপাদিত সামগ্ৰী ভাৰতৰ আন ঠাইলৈ নিয়া সুচল কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় আবকাৰী কৰ, কেন্দ্ৰীয় বিক্ৰী কৰ, নিগম কৰ আৰু কাষ্টম শুল্ক কিছু পৰিমাণে ৰেহাই দিবলৈ আৰু নদীপথ বন্ধ হৈ যোৱাৰ হেতুকে পৰিবহন সাহায্য দিবলৈ ভাৰত চৰকাৰক অনুৰোধ কৰা হৈছিল। মই আশা কৰোঁ ৱাঞ্চু কমিটীৰ অনুমোদন অনুযায়ী প্ৰেৰণা যোগাবলৈ ভাৰত চৰকাৰে কাৰ্য্যকৰী ব্যৱস্থা ল'ব।

লাকুৱা আৰু রুদ্রসাগৰত খনন কৰি খাৰুৱা তেল পোৱাৰ পাছত অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক ন দি কৈছে যে এই ৰাজ্যৰ তেলৰ ইয়াতেই শোধনৰ ব্যৱস্থা কৰিব লাগে আৰু যুক্তি প্ৰদৰ্শন কৰি কৈছে যে এনে কৰিলে অসমৰ খাৰুৱা তেল অতি মিত-ব্যয়ীতাৰে ব্যৱহাৰ কৰিব পৰা যাব। মই সদনক আনন্দেৰে জনাওঁ যে ভাৰতৰ প্ৰধান মন্ত্ৰীয়ে দিয়া বিবৃতি মতে অসমৰ তেল খাদসমূহত পোৱা এক নিযুত মেট্ৰিক টন খাৰুৱা তেল অসমতে শোধন কৰা হ'ব আৰু বাবাউনী শোধনাগাৰক লগা অতিৰিক্ত এক নিযুত মেট্ৰিক টন খাৰুৱা তেল এতিয়া আমদানি কৰা হ'ব। এই শোধনৰ নীতি অনুযায়ী অকল অসমতে পোৱা খাৰুৱা তেলৰ ভিত্তিত কেইবাটাও পেট্ৰকেমিকেল উদ্যোগ স্থাপন কৰিব পৰা হ'ব। কাঁচৰ কাৰখানা এটাৰ কাম গুৱাহাটীত আৰম্ভ হৈছে। এটা মাটিৰ থাল, পিয়লা আদি তৈয়াৰ কৰা কাৰখানা স্থাপনৰ আঁচনিও তদন্তাধীন হৈ আছে।

এই বছৰত চৰকাৰে ঋণৰ বাবদ গেৰাণ্টি দি যোগ্য উদ্যোগপতিসকলক ঋণ দিবৰ বাবে এটা গেৰাণ্টি পুঁজিৰ ব্যৱস্থা কৰিছে। এই একে উদ্দেশ্যেৰেই বেচৰকাৰী খণ্ডত এটা কোম্পানীয়েও এখন ঋণ গেৰাণ্টি আঁচনি যুগুত কৰিছে।

ৰাজ্য চৰকাৰে চেৰাপুঞ্জীৰ চিমেণ্ট কাৰখানাৰ সামৰ্থ্য প্ৰতিদিনে ৮০০ মেট্ৰিক টনলৈ বৃদ্ধি কৰিবৰ কাৰণে যথাযোগ্য ব্যৱস্থা হাতত লৈছে আৰু উৎপাদিত সামগ্ৰী ভৈয়ামৰ বিভিন্ন ঠাইলৈ ৰজ্জুপথেৰে পঠিয়াবলৈ প্ৰস্তুত কৰা আঁচনি কাৰ্যকৰী কৰিলে পৰিবহন খৰচ দৰাচলতে কমিব নে নকমে সেই সম্পৰ্কে পৰীক্ষা কৰিছে। উদ্যোগ বিকাশ নিগমে নামৰূপৰ ইউৰিয়া আৰু প্ৰাকৃতিক গেচৰ পৰা পেট্ৰকেমিকেলছ তৈয়াৰ কৰিবৰ বাবে এখন "লেটাৰ অৱ ইনটেন্ট" পাইছে আৰু আশা কৰা হৈছে যে অহা ১৯৭২ চনৰ পৰা উৎপাদনৰ কাম আৰম্ভ কৰিব পৰা যাব। কেইবাটাও উদ্যোগে যেনে--ফিটকিৰি, এনামেলৰ তাঁৰ, লোহাৰ গেলভেনাইজ্ পাইপ আৰু সা-সঁজুলি উৎপাদনৰ কাম আৰম্ভ কৰিছে। ১৯৬৮-৬৯ চনত পঞ্জীভুক্ত হোৱা ক্ষুদ্ৰ উদ্যোগৰ সংখ্যা আছিল ৭০০; ১৯৬৯-৭০ চনত হৈছে ১০০০ টা। স্থানীয় আদা, তেজপাত, কাঠ আৰু চূণৰ ব্যৱসায়ৰ কাৰণে অসমৰ পাৰ্বত্য উদ্যোগ বিকাশ নিগমে কেইখনমান আঁচনি হাতত লৈছে।

## ৰাজহ, ভূমিসংস্কাৰ আৰু ভূমিপট্টন

মই আগতেই এটাৰ পিছত এটাকৈ অসমত হোৱা বানপানীৰ ধ্বংসলীলাৰ বিষয়ে উল্লেখ কৰিছিলোঁ। অসম চৰকাৰে ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ সাহায্যৰ কাৰণে অনুৰোধ কৰিছে আৰু কেন্দ্ৰৰ পৰা অহা বিশেষজ্ঞৰ দল এটাই অসমৰ বানপানী সমস্যা অধ্যয়ন কৰি গৈছেহি। এই কমিটীৰ পৰামৰ্শ অনুযায়ী কেন্দ্ৰীয় চৰকাৰে অসমক জনাইছে যে বানপানীৰ সাহায্যৰ কাৰণে হোৱা ব্যয়ৰ বাবদ তেওঁলোকে দিয়া ঋণ আৰু মঞ্জুৰীৰ সৰ্ব্বোচ্চ নিৰিখ ৩৫৪·৯৪ লাখ টকা ধাৰ্য্য কৰা হৈছে।

ভূমি-সংস্কাৰৰ ক্ষেত্ৰত অসমে বিভিন্ন ভূমি-সংস্কাৰ নীতি কাৰ্য্যকৰী কৰি উন্নতিৰ সমতা ৰক্ষা কৰিব পৰিছে। এতিয়ালৈকে অসম চৰকাৰে ১৯৫৬ চনৰ "অসমৰ ভূমিৰ সৰ্ব্বোচ্চ পৰিমাণ নিৰ্দ্ধাৰণ আইন" অনুসৰি মাটিৰ গৰাকীক যথাযোগ্য ক্ষতিপূৰণ দি অতিৰিক্ত ১,৮০,২২১ বিঘা মাটি অধিগ্ৰহণ কৰিবলৈ সমৰ্থ হৈছে। গ্ৰামদান সম্পৰ্কীয় আঁচনিও কাৰ্য্যকৰী কৰা হ'ব ধৰিছে আৰু গ্ৰামদানী গাওঁ হিচাপে পোৱা ১৪৭১ খন গাৱঁৰ ভিতৰত বিভিন্ন জিলাত থকা ১৯৬ খন গাৱঁক গ্ৰামদানী গাওঁ বুলি ঘোষণা কৰা হৈছে। সৰ্ব্বোদয় মণ্ডলৰ অধীনত থকা কিছুমান বেচৰকাৰী সংঘটনে ভূদান সম্পৰ্কীয় কাম-কাজ সুচাৰুৰূপে কৰাৰ আৰু আচাৰ্য্য বিনোবা ভাৱেক আৰু সৰ্ব্বোদয়

মণ্ডলক দিয়া দান বিধিবদ্ধ কৰিবৰ বাবে ৰাজ্যিক আৰু মহকুমা পৰ্য্যায়ৰ ভূদান মণ্ডল অলপতে গঠন কৰা হৈছে। ১৯৬৮-৬৯ চনৰ কালছোৱাত ৩৫০ টা পৰিয়ালৰ পুনৰ বন্দৰস্তিৰ বাবে এখন আঁচনি যুগুত কৰা হৈছিল আৰু এই বছৰত কিছুমান নিৰ্ব্বাচিত পৰিয়ালৰ বন্দৰস্তিৰ কাৰণে মাটি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

নগাওঁ জিলাত পুনৰ বন্দৰস্তিৰ কাম এই বিত্তীয় বছৰৰ শেষৰ ফালে আৰু লক্ষীমপুৰ জিলাত ১৯৭১ চনত সম্পূৰ্ণ হব। দৰং জিলাত পুনৰ বন্দৰস্তিৰ কাম মাত্ৰ এবছৰৰ বাবে চলিছে আৰু কামৰ অগ্ৰগতি সন্তোষজনক হৈছে।

চৰকাৰৰ ভূমি-পটন নীতি (১৯৬৮) ইতিমধ্যে ঘোষণা কৰা হৈছে। মাটিহীন খেতিয়কক খেতি কৰিবৰ বাবে মাটি দিয়াটোৱেই চৰকাৰৰ প্ৰধান ইচ্ছা আৰু মই উল্লেখ কৰিবলৈ পাই সুখী হৈছোঁ যে এই সম্পৰ্কে যোৱা বাজেট অধিবেশনত সন্মানিত সদনে গঠন কৰা কমিটিৰ উপদেশ চৰকাৰে গ্ৰহণ কৰিছে। ভূমিহীন খেতিয়কসকলক মাটি দিওঁতে চৰকাৰে অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ লোকৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে বিশেষ মনোযোগ দিছে। ১৯৪৮ চনৰ পৰা ১৯৬৯ চনৰ মাৰ্চ্চ মাহলৈকে চাহ বাগিচা-বোৰৰ পৰা অধিগ্ৰহণ কিম্বা অভিগ্ৰহণ কৰি পোৱা ১,৮৮,৮৪২ বিঘা মাটিকে ধৰি আনুমানিক ২০,৯২,৪৬০ বিঘা মাটি ২.৯৬,০০০ ঘৰ ভূমিহীন খেতিয়কৰ পৰিয়ালৰ মাজত বিতৰণ কৰা হয়। এই মাটি সংৰক্ষিত বনাঞ্চল আৰু বিশেষ আবাদ প্ৰচেষ্টাৰ পৰা পোৱা মাটিৰ অন্তৰ্ভুক্ত নহয়।

সুবিধা আৰু উপযুক্ত উন্নয়নৰ কাৰণে আৰু বাস্তৱৰ সৈতে তাল ৰাখি বৃহত্তৰ গুৱাহাটীৰ ট্ৰাইবেল বেল্টৰ ভিতৰৰ পৰা আৰু উত্তৰ লক্ষীমপুৰৰ পৌৰ এলেকাৰ ভিতৰৰ কিছুমান নিৰ্দ্দিষ্ট ঠাইত ১৮৮৬ চনৰ অসম ভূমি আৰু ৰাজহ বিনিময়ৰ ১০ অধ্যায় বলৱৎ কৰা নহব।

## ব্যৱহাৰ্য্য সামগ্ৰীৰ যোগান

অসম চৰকাৰে ১৯৬৯-৭০ চনৰ কালছোৱাত একচেটিয়াভাবে ধান সংগ্ৰহ কৰিবলৈ এপেক্স মাৰ্কেটিং চ'ছাইটিক দৰং আৰু নগাওঁ জিলাত আৰু ভাৰতীয় খাদ্য নিগমক ৰাজ্যৰ আন আন জিলাত নিয়োগ কৰিছে। দৰং আৰু নগাওঁ জিলাত ধান সংগ্ৰহৰ লক্ষ্য হৈছে ১৩.৬০ লাখ কুইণ্টল আৰু ৰাজ্যৰ আন আন ঠাইত লক্ষ্য হৈছে ২২.৭০ লাখ কুইণ্টল। এপেক্স মাৰ্কেটিং চ'ছাইটিয়ে সংগ্ৰহ কৰা ধান ৰাজ্যৰ আভ্যন্তৰীণ চাহিদা পূৰণৰ কাৰণে ৰাখি ভাৰতীয় খাদ্য নিগমে সংগ্ৰহ কৰা ধান কেন্দ্ৰীয় ভঁড়ালৰ বাবে ৰাজ্যৰ বাহিৰলৈ পঠিয়ায়। ৰাজ্য চৰকাৰে ধান পঠিওৱাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা সহাচৰ পোৱা নিবিখতে বনাচ পাব। যদিও কেন্দ্ৰীয় ভঁড়াললৈ চালান দিবৰ বাবে অনেক চেষ্টা কৰা হৈছে তথাপিও যোৱা বছৰত সংগ্ৰহ কৰা ধান, সংগ্ৰহ কৰা এজেণ্টসকলৰ গুদামতে পৰি থাকিব লগা হৈছে। এই অৱস্থাৰ কাৰণে গুদামঘৰত ঠাইৰ নাটনিৰ উপৰিও ধন আবদ্ধ হৈ আছে।

১৯৬৯ চনত অসমত ঘেঁহু আৰু ঘেঁহু জাতীয় খাদ্যসামগ্ৰীৰ যোগান পৰিস্থিতিও সন্তোষজনক আছিল। সেই একে দৰেই চেনিৰ যোগানো সন্তোষজনক। ভাৰত চৰকাৰে ১৯৬৯ চনৰ মে-জুন মাহৰ পৰা চেনিৰ মাহেকীয়া পৰিমাণ ৩৩৫৫ মেট্ৰিক টনৰ পৰা ৪০৫৭ মেট্ৰিক টনলৈ বঢ়াই দিছে। ৰাজ্যৰ বয়ন শিল্পৰ বিভাগটো যোগান বিভাগৰ লগত একেলগ কৰা হয়। ৰাজ্যত যথেষ্ট চাহিদা থকাৰ কাৰণে চৰকাৰে বেছি সংখ্যক গেলভেনাইজড্ আইৰণ আৰু ক'লা টিনপাত বেপাৰৰ বাবে কিনিবলৈ প্ৰস্তাৱ লৈছে আৰু বেছি চাহিদা থকাৰ কাৰণে ভাৰত চৰকাৰৰ পৰা ক'লা টিন কিনিবলৈ বেচৰকাৰী প্ৰতিষ্ঠানসমূহকো অনুমতি দিছে।

## অনুসূচীত জাতি, জনজাতি আৰু অন্যান্য পিছপৰা সম্প্ৰদায়ৰ কল্যাণ

অনুসূচীত জাতি, জনজাতি আৰু অন্যান্য পিছপৰা সম্প্ৰদায়ৰ লোকসকল বসতি কৰা অঞ্চলসমূহৰ উন্নয়ন, তেওঁলোকৰ কল্যাণ আৰু প্ৰগতিৰ কাৰণে ৰাজ্য চৰকাৰে বিশেষ ধৰণৰ যত্ন লৈছে আৰু মনোযোগ দিছে। এই শ্ৰেণীৰ লোকসকলৰ মাজত শিক্ষা-বিস্তাৰ, চিকিৎসাৰ সা-সুবিধাৰ সম্প্ৰসাৰণ আৰু যোগাযোগ-ব্যৱস্থাৰ উন্নতি সাধনৰ অৰ্থে বিভিন্ন পৰিকল্পনা আঁচনি প্ৰস্তুত কৰা হৈছে আৰু চলিত বছৰত এই আঁচনিসমূহৰ কাৰ্য্যকৰীকৰণৰ অৰ্থে মুঠতে ৮২ লাখ টকা ধাৰ্য্য কৰা হৈছে। অহা বছৰত এই বণ্টনৰ পৰিমাণ ৯৫ লাখ টকালৈ বঢ়াই দিয়াৰ কথা। ইয়াৰ উপৰিও কেন্দ্ৰীয় চৰকাৰৰ পৃষ্ঠপোষকতাত অন্যান্য কেতবোৰ আঁচনি হাতত লোৱা হৈছে। অনুসূচীত জাতি আৰু ভৈয়ামৰ অনুসূচীত জনজাতিৰ ছাত্ৰ-ছাত্ৰীসকলৰ কাৰণে শিক্ষাৰ বিভিন্ন পৰ্য্যায়ত বিনা মাচুলে শিক্ষালাভৰ ব্যৱস্থা কৰা হৈছে। অনুসূচীত জাতি আৰু জনজাতিৰ উপযুক্ত ছাত্ৰ-ছাত্ৰীসকলৰ কাৰণে বিশেষ জলপানীৰ ব্যৱস্থা কৰাৰ উপৰিও যথেষ্ট সংখ্যক অনুসূচীত জনজাতিৰ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষালাভ কৰা বেচৰকাৰী শিক্ষা অনুষ্ঠান-সমূহলৈও তেওঁলোকৰ শিক্ষাৰ সা-সুবিধাৰ বাবে চৰকাৰে বিশেষ অনুদান আগবঢ়াইছে। ৰাজ্যখনত স্থাপন কৰা জনজাতি গৱেষণা প্ৰতিষ্ঠানটোৱে অনুসূচীত জনজাতিৰ কাৰণে উন্নয়নমূলক আঁচনি প্ৰস্তুত কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰক সহায় কৰি আহিছে।

ভূমিহীন কৃষকসকলক ভূমিৰ পট্টন দিয়াৰ ক্ষেত্ৰতো অনুসূচীত জাতি আৰু জন-জাতিৰ লোকসকলৰ প্ৰতি চৰকাৰে বিশেষ মনোযোগ দিছে। গান্ধীশতবাৰ্ষিকী বছৰ-টোত বৰপেটাৰ গোবিন্দপুৰ আৰু গোৱালপাৰা জিলাৰ বলধমাৰীৰ ব্যৱসায়িক সংৰক্ষিত চৰণীয়া পথাৰ অঞ্চলত ঘৰবাৰী আৰু কৃষিৰ উদ্দেশ্যে অনুসূচীত জাতি আৰু জনজাতিৰ ২৫০টা ভূমিহীন পৰিয়ালক ভূমিৰ পট্টন দিয়া হৈছে। ৰাজ্যখনৰ আন আন জিলাৰ সংৰক্ষিত বনাঞ্চল আৰু চৰণীয়া পথাৰসমূহত পট্টন দিয়াৰ বাবে মুকলি কৰা ভূমিৰ পট্টন দিয়াৰ ক্ষেত্ৰতো অনুসূচীত জাতি আৰু জনজাতিৰ ভূমিহীন লোকসকলৰ স্বাৰ্থ যথাযোগ্যভাবে ৰক্ষা কৰা হ'ব। ৰাজ্যখনৰ জনজাতিৰ বাবে আচুতীয়াকৈ ৰখা এলেকা আৰু খণ্ডসমূহত ভূমি পট্টনৰ বিষয়ে বিবেচনা কৰিবলৈ ভূমি পট্টন উপদেষ্টা কমিটীৰ অধীনত উপসমিতিসমূহ গঠন কৰা হৈছে।

## ৰেচম আৰু বয়ন-শিল্প

ৰেচমে কৃষি উদ্যোগ হিচাবে আমাৰ গ্ৰাম্য অৰ্থনীতিত সদায় প্ৰধান ভূমিকা গ্ৰহণ কৰি আহিছে। বীজ উৎপাদনত অধিক গুৰুত্ব দিয়া হৈছে। গৱেষণাৰ ক্ষেত্ৰত সমন্বয় সাধন কৰিবলৈ ভাৰতৰ কেন্দ্ৰীয় ৰেচম মণ্ডলীয়ে তিতাবৰৰ ৰেচম গৱেষণা-গাৰটোৰ দায়িত্ব লব খুজিছে।

## পৰিবহন আৰু যোগাযোগ

ৰাজ্যিক পৰিবহন বিভাগৰ অধীনত থকা ৰাষ্ট্ৰীয়কৰণ কৰা পথৰ মুঠ দৈৰ্ঘ্য হ'ল ৩১৯৫ কিলোমিটাৰ। ৰাজ্যিক পৰিবহন বিভাগৰ অধীনত থকা এনফৰ্চমেণ্ট শাখা আৰু ৰাজ্যিক পৰিবহন সংস্থাটো অধিক শক্তিশালী কৰা হয়। ৰাজ্যচৰকাৰেও বুজা-পৰাৰ ভিত্তিত আন্তঃৰাজ্যিক পথসমূহত চলা নিৰ্দ্দিষ্ট বাচসমূহত অসমৰ পৰা মানুহ আৰু সামগ্ৰী সহজে অনা-নিয়া কৰিবৰ বাবে ওচৰচুবুৰীয়া ৰাজ্যসমূহ আৰু কেন্দ্ৰীয়-শাসিত ৰাজ্যবিলাকৰ লগত এক চুক্তিত আবদ্ধ হৈছে। এই ক্ষেত্ৰত মাত্ৰ একবাৰহে কৰ ভৰিব লগা হ'ব।

পৰিবহন নিগম

অসম চৰকাৰে অসম ৰাজ্যিক পৰিবহন নিগমো গঠন কৰিবলৈ স্থিৰ কৰিছে আৰু এই নিগমে অহা ৩১ মার্চ্চ তাৰিখত কাম আৰম্ভ কৰিব।

পর্য্যটন

পর্য্যটকসকলৰ ভ্ৰমণৰ সুবিধাৰ কাৰণে পৰ্ব্বত আৰু ভৈয়াম উভয়তে ব্যৱস্থা হাতত লোৱা হয়। দেশৰ বিভিন্ন ৰাজ্যৰ আৰু বিদেশীসকলকে ধৰি ৰাজ্যখনত পর্য্যটকৰ সংখ্যা বৃদ্ধি পায়।

মিজো পাহাৰলৈ সাহায্য

যাতায়াতৰ সুবিধা নথকা মিজো পাহাৰৰ বিভিন্ন ঠাইত যোৰহাট আৰু শিলচৰৰ পৰা বিমানৰ সহায়ত আৱশ্যকীয় সামগ্ৰীৰ যোগান ধৰা হৈছে। মিজো পাহাৰত নতুন গোট গঠনৰ আঁচনিখনৰ কাম আৰম্ভ কৰা হৈছে আৰু সামৰিক বাহিনীৰ সাহায্যত হাতত লোৱা কেইবাখনো সমাজ-সেৱা আঁচনিৰ দায়িত্ব ৰাজ্য চৰকাৰে লোৱাৰ কথা। এনে ভাবে গঠিত গোটৰ পৰিয়ালবৰ্গৰ পুনৰসংস্থাপন কাৰ্য্যও কল্যাণমূলক ব্যৱস্থাৰে অংশ স্বৰূপ আৰু এনে পৰিয়ালবৰ্গলৈ পুনৰসংস্থাপন মঞ্জুৰী হিচাপেও আৰ্থিক সাহায্য দিয়া হৈছে।

সাহায্য আৰু পুনৰ সংস্থাপন

শিবিৰসমূহত থকা শৰণাৰ্থীসকলৰ খৰতকীয়া পুনৰ সংস্থাপনৰ অৰ্থে সকলো প্ৰকাৰৰ প্ৰচেষ্টা চলোৱা হৈছে। এই কাম সমাধা হোৱাৰ পাছতো শিবিৰসমূহত ৰৈ যোৱা প্ৰায় ৪০০০ শৰণাৰ্থী পৰিয়ালক ৰাজ্যৰ বাহিৰলৈ স্থানান্তৰিত কৰি পুনৰ সংস্থাপিত নকৰালৈকে তেওঁলোকক পুনৰ সংস্থাপন সাহায্য দি থকা হ'ব।

নিৰ্ব্বাচন

সাধাৰণ নিৰ্ব্বাচন নাইবা উপ-নিৰ্ব্বাচন পাতিবৰ কাৰণে নিৰ্ব্বাচনী তালিকা যাতে সদায় প্ৰস্তুত হৈ থাকে তাৰ বাবে নিৰ্ব্বাচনী আয়োগে নিৰ্ব্বাচনী তালিকা সংশোধন কৰাৰ এখনি খৰতকীয়া কাৰ্য্যসূচী যুগুত কৰে। এই কাৰ্য্যসূচীমতে আটাইবিলাক সমষ্টিৰ খচৰা ইতিমধ্যে প্ৰকাশ কৰা হৈছে আৰু সংশোধনৰ অন্যান্য পৰ্য্যায়ৰ কাম চলাই থকা হৈছে।

মাদকদ্ৰব্য নিবাৰণ

সশস্ত্ৰ বাহিনী আৰু অসম ৰাইফলচৰ কৰ্ম্মচাৰীসকলক দিয়া বিদেশী মদ ব্যৱহাৰৰ কাৰণে দিবলগীয়া শুল্ক আৰু গেলন অনুযায়ী মাচুলৰ ৰেহাই সম্প্ৰতি উঠাই দিয়া হৈছে আৰু ১৯৭০ চনৰ পহিলা জানুৱাৰীৰ পৰা তেওঁলোকৰ ক্ষেত্ৰত অসামৰিক লোক-সকলে দিবলগীয়া শুল্কৰ ⅓ অংশ হাৰত বিদেশী মদৰ ওপৰত আবকাৰী শুল্ক ধাৰ্য্য কৰা হৈছে। মদ নিবাৰণৰ ক্ষেত্ৰত মাননীয় সদস্যসকলে উপলব্ধি কৰিব যে ভূটান, ব্ৰহ্মদেশ, পাকিস্থান য'ত এনে নিষেধাজ্ঞা প্ৰৱৰ্ত্তিত নহয় তেনে ৰাজ্য সীমান্তত থকা হেতুকে অসমৰ পক্ষে মদ নিবাৰণী আইন সম্পূৰ্ণৰূপে বলবৎ কৰাৰ ক্ষেত্ৰত অসুবিধাৰ

ভোগ কৰিব লগা হৈছে। সেই কাৰণে আঞ্চলিক ভিত্তিত নিষেধাজ্ঞা বলবৎ কৰাৰ পৰিবৰ্ত্তে অসম চৰকাৰে টেকচান্দ কমিটীৰ অনুমোদন অনুসৰি চাৰিদফীয়া আঁচনিৰ শেষৰ পৰ্য্যায়ত মাদকদ্ৰব্যৰ মাত্ৰা শতকৰা ৫ ভাগলৈ হ্ৰাস কৰাৰ বিষয়টো বিবেচনা কৰি আছে। উক্ত আঁচনিৰ প্ৰথম পৰ্য্যায়ৰ কাম ১৯৭০ চনৰ পহিলা এপ্ৰিলৰ পৰা আৰম্ভ হ'ব আৰু ৰাজ্যখনৰ দেশীয় মদৰ দোকানসমূহৰ ½ অংশ মাদকদ্ৰব্যৰ মাত্ৰা ৩০ ইউ. পিৰ পৰা ৬০ ইউ. পিলৈ হ্ৰাস কৰিবলৈ দিয়া হ'ব। এইটো আশা কৰা হৈছে যে এই ক্ষেত্ৰত হোৱা ৰাজহৰ ক্ষতিপূৰণ কৰিবলৈ ভাৰত চৰকাৰে আৱশ্যকীয় সাহায্য আগবঢ়াব।

## গৃহৰক্ষী বাহিনী

গৃহৰক্ষী বাহিনীৰ লোকসকলক কেতবোৰ বে-সামৰিক প্ৰতিৰক্ষা সেৱাৰ যেনে—উদ্ধাৰকাৰ্য্য, যোগান, কল্যাণ ইত্যাদিৰ কামত নিয়োগ কৰাৰ উপৰিও কেইখনমান জিলাত বিভিন্ন ধৰণৰ আইন-শৃংখলা ৰক্ষা যেনে গুৰুত্বপূৰ্ণ যন্ত্ৰপাতি আৰু কাৰখানাসমূহত পহৰা দিয়া আদি কাৰ্য্যতো কৃতকাৰ্য্যতাৰে নিয়োগ কৰা হয়। কাজিৰঙাত নিয়োগ কৰা গৃহৰক্ষী বাহিনীৰ লোকসকলে সন্তোষজনকভাৱে কাম চলাই আছে।

## চৰকাৰী কৰ্ম্মচাৰীলৈ সাহায্য

জীৱন ধাৰণৰ খৰচ বৃদ্ধি পোৱাৰ কাৰণে আৰু নানা অসুবিধা ভোগ কৰিব লগা হোৱাৰ বাবে চলিত বছৰটোত চৰকাৰে কেতবোৰ শ্ৰেণীৰ চৰকাৰী চাকৰিয়ালক সাহায্য দিব লগা হয়। দাস আয়োগৰ প্ৰতিবেদন অনুসৰি ৭৫০ টকালৈকে দৰমহা পোৱা চৰকাৰী চাকৰিয়ালসকলৰ বাবে মঞ্জুৰ কৰা মৰগীয়া বানচৰ ১৯৬৭ চনৰ পহিলা এপ্ৰিলৰ পৰা আগষ্ট মাহৰ ৩১ তাৰিখলৈকে বিশেষ সঞ্চিত পুঁজি আৰু ভৱিষ্যনিধিত জমা ৰখা অৱশিষ্ট মৰগীয়া বানচৰ টকা উলিয়াই দিবলৈ অনুমতি দান কৰা হৈছে। তদুপৰি সকলো শ্ৰেণীৰ চাকৰিয়ালৰ ক্ষেত্ৰতে অতিৰিক্ত মৰগীয়া বানচৰ একাংশ ভৱিষ্যনিধি আৰু বিশেষ সঞ্চিত পুঁজিত জমা ৰখাৰ নিয়ম ১৯৬৯ চনৰ পহিলা ডিচেম্বৰৰ পৰা উঠাই দিয়া হয়। চৰকাৰী চাকৰিয়ালক অতিৰিক্ত মৰগীয়া বানচ দিয়াৰ বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে আৰু মাননীয় সদস্যসকলে বোধহয় জানিব পাৰিছে যে ৭৪৯ টকাতকৈ কিছু বেছি দৰমহা পোৱা চাকৰিয়ালসকলৰ লগত পাৰ্শ্বস্থ সামঞ্জস্য ৰাখি মাহে ৭৪৯ টকা নাইবা তাতকৈ কম দৰমহা পোৱাসকলৰ ক্ষেত্ৰত ১৯৬৯ চনৰ পহিলা চেপ্তেম্বৰৰ পৰা মাহে ২০ টকাকৈ অতিৰিক্ত তদৰ্থ মৰগীয়া বানচ মঞ্জুৰ কৰা হয়। এই অতিৰিক্ত তদৰ্থ মৰগীয়া বানচ ৰাজ্যিক প্ৰাথমিক শিক্ষামণ্ডলীৰ কৰ্ম্মচাৰীসকলৰ উপৰিও চৰকাৰী সাহায্যপ্ৰাপ্ত হাইস্কুলৰ শিক্ষক আৰু ১৯৭০ চনৰ পহিলা জানুৱাৰীত স্বীকৃতিপ্ৰাপ্ত শ্ৰেণীৰ অন্তৰ্ভুক্ত আৰু ঘাটি ব্যৱস্থা মতে সাহায্য মঞ্জুৰী পোৱা মাধ্যমিক ইংৰাজী আৰু মাধ্যমিক মাতৃভাষা স্কুলৰ শিক্ষকসকলেও পাব। সন্দেহ নাই যে এই অতিৰিক্ত সাহায্য দিয়াৰ ফলত ৰাজ্যিক কোষাগাৰৰ বছৰি প্ৰায় ৩½ কোটি টকা ব্যয় হ'ব। চৰকাৰে যথেষ্ট পৰিমাণৰ আৰ্থিক বোজা বহন কৰিবলগা হোৱা সত্ত্বেও চৰকাৰী চাকৰিয়ালৰ অৱস্থা উন্নত কৰি তোলাৰ বাবে যি উদ্বেগ আৰু আগ্ৰহ প্ৰকাশ কৰিছে, ৰাজ্যখনৰ সৰ্ব্বাঙ্গীন উন্নয়ন আৰু প্ৰশাসনকাৰ্য্য নিষ্ঠা আৰু কঠোৰ পৰিশ্ৰমেৰে নিয়াৰিকৈ চলোৱাত চাকৰিয়াল সকলেও সহায় কৰি তাৰ প্ৰতি সঁহাৰি জনাব বুলি মই আশা কৰো।

## লটাৰী

অসমত এটা ৰাজ্যিক লটাৰী খোলাৰ বাবে ৰাজ্য চৰকাৰে লোৱা প্ৰস্তাৱ সম্পৰ্কে মই যোৱাবাৰ বাজেট উত্থাপন কৰোতে উল্লেখ কৰিছিলো। ১৯৬৯ চনৰ জুন মাহৰ শেষ ভাগৰ পৰা ৰাজ্যিক লটাৰীৰ অধিকৰ্ত্তা কাৰ্য্যালয়ে কাম আৰম্ভ কৰে। তেতিয়াৰে পৰা তিনিখন খেলা অনুষ্ঠিত হৈছে। প্ৰথম দুখন খেলত মুঠতে টিকট বিক্ৰীৰ পৰা পোৱা মুঠ ১০,৮২,০২০ টকাৰ পুৰস্কাৰ বিলাই দিয়া আৰু সংশ্লিষ্ট খৰচ-পাতি বহন কৰাৰ পাছত মুঠতে লাভ হয় ৩,৮১,৩৬৮ টকা। লটাৰীৰ টিকট ছপা কৰি উলিওৱাত চৰকাৰী মুদ্ৰণালয়ৰ সীমিত সামৰ্থ্যয়ো ভালদৰে টিকট বিক্ৰী হোৱাৰ পথত বাধা জন্মাইছে। লটাৰী টিকট সোনকালে ছপা কৰিবলৈ গুৱাহাটীৰ চৰকাৰী মুদ্ৰণালয়ত এটা শাখা খোলাৰ কাম হাতত লোৱা হৈছে। তৃতীয় খেলখন যোৱা ৭।৩।৭০ তাৰিখে অনুষ্ঠিত হৈছে। লটাৰী খেলৰ মুঠ বিক্ৰীৰ শতকৰা ৫০ ভাগ টকা কিছুমান যোগ্য আৰু আৱশ্যকীয় আঁচনি যেনে--শিক্ষা, সাংস্কৃতিক, স্বাস্থ্য আৰু খেল-ধেমালি আদিত ব্যয় কৰা হব বুলি লটাৰী খেলৰ বিধিত ব্যৱস্থা কৰা হৈছে। সেই হেতুকে বেচৰকাৰী সংস্থা নাইবা ব্যক্তিবিশেষক লটাৰী খেল চলাবলৈ অনুমতি দিয়া নহব। যি-কোনো লোকে চৰকাৰৰ অনুমতি নোলোৱাকৈ লটাৰী চলালে অথবা লটাৰী খেল সংগঠন কৰিলে ভাৰতীয় দণ্ডবিধি মতে দণ্ডনীয় হ'ব।

## অনাদায়ী কৰ

যোৱা বছৰৰ বাজেট বক্তৃতাত মাননীয় সদস্যসকলক মই অনাদায়ী কৰ সম্পৰ্কে এটি আভাস দিছিলোঁ। অনাদায়ী কৰৰ সামগ্ৰিক পৰিস্থিতিৰ উন্নতি ঘটা নাই বুলি জনাবলগীয়া হোৱাত মই দুঃখ পাইছো। ১৯৬৮-৬৯ চনত অনাদায়ী কৰ আদায় কৰাত কোনো অগ্ৰগতি লাভ কৰিব পৰা নগ'ল। ১৯৬৯-৭০ চনত অৱশ্যে এই কৰ যথেষ্ট পৰিমাণে আদায় কৰিব পৰা হয়। কিন্তু দুটা বিশেষ কাৰণত এই সমস্যাটো জটিলতৰ হৈ পৰিছে। অসম বিত্তীয় আইন (বিক্ৰীকৰ) আৰু ক্ৰয় কৰ আইন অনুযায়ী নিৰ্দ্ধাৰণ কৰা প্ৰায় সকলো কৰ আৰোপৰ আৰু আনকি আইনৰো বৈধতা সম্পৰ্কে উচচ ন্যায়ালয়ত গোচৰ উত্থাপন কৰাই হৈছে ইয়াৰ প্ৰথম কাৰণ। কৰ আদায় কৰাৰ কাম প্ৰায় সকলো ক্ষেত্ৰতে স্থগিত ৰাখিবলৈহে আদেশ জাৰি কৰা হৈছে। ইয়াৰ ফলত বছৰৰ শেষলৈ বহু পৰিমাণে কৰ অনাদায়ী হৈ থাকিব। এই বিষয়সমূহৰ সোনকালে যাতে ন্যায়িক মীমাংসা এটা হয় তাৰ বাবে আমি সম্ভৱপৰ সকলো ব্যৱস্থা লৈছো। দ্বিতীয় কাৰণ হ'ল—বৰ্ত্তমানে নিষ্ক্ৰিয় হৈ থকা পৰিবহন কৰ আইন অনুযায়ী বহুৱা কৰ, চাহ উদ্যোগৰ অৱস্থা বেয়া হোৱা বাবে পৰিশোধ কৰিব নোৱাৰা। তাৰ বাবে এই অনাদায়ী কৰ পৰিশোধ কৰিবলৈ সময় দিয়া হৈছে। বৰ্ত্তমান বছৰটোত অন্যান্য আইন মতে অনাদায়ী কৰ আদায় কৰাৰ কামতো সম্প্ৰতি সন্তোষজনক প্ৰগতি দেখা গৈছে।

১৯৬৮-৬৯ চনত অনাদায়ী ভূমিৰাজহ সংগ্ৰহৰ পৰিস্থিতিও পূৰ্ব্বতকৈ বেয়াৰ ফালেহে ঢাল খাইছিল আৰু ১৯৬৯ চনৰ মাৰ্চ্চ মাহৰ ৩১ তাৰিখলৈকে অনাদায়ী কৰৰ পৰিমাণ আছিল ৫৫২ লাখ টকাৰো অধিক। চলিত বছৰত অনাদায়ী কৰ সংগ্ৰহৰ পৰিমাণ অধিক সন্তোষজনক হৈছে বুলি ভাবিবৰ থল আছে। তথাপিও এই ক্ষেত্ৰত আমি বহু পিছ পৰি আছো আৰু গতিকেহে এই অৱস্থাৰ পৰিপ্ৰেক্ষিতত আমি আনন্দিত হোৱাৰ কোনো অৱকাশ নাই।

অনাদায়ী ঋণ

কৃষিঋণ, পুনৰসংস্থাপন ঋণ আৰু কৃষকসকলক দিয়া আন ঋণকে ধৰি অনাদায়ী টকাৰ পৰিমাণ হৈছে প্ৰায় ৩৭৩ লাখ টকা। পৌৰসভা আৰু নগৰপালিকাবিলাকক দিয়া ঋণ আদায় কৰা কামতো কোনো অগ্ৰগতি লাভ কৰিব পৰা নাই। অসম ৰাজ্যিক বিদ্যুৎ-মণ্ডলীক বৰ্ত্তমানলৈকে ৬৮ কোটি টকাতকৈ অধিক পৰিমাণৰ ঋণ দিয়া হৈছে। যদিও চৰ্ত্ত অনুযায়ী ১৯৬৯ চনৰ মাৰ্চ্চ মাহলৈকে বিদ্যুৎমণ্ডলীয়ে ১৯৫ লাখতকৈও অধিক টকা শোধোৰাৰ কথা আছিল তথাপিও মণ্ডলীয়ে আজিলৈকে আনকি সুতখিনিকে দিব পৰা নাই। সি যি কি নহওক বিদ্যুৎমণ্ডলীৰ কাম-কাজ আৰু আয়ৰ ক্ষমতা কিছু পৰিমাণে উন্নত হোৱা যেন দেখা গৈছে আৰু এইটো আশা কৰা হৈছে যে বছৰ-ছেৰেকৰ মূৰত মণ্ডলীয়ে ঋণ পৰিশোধৰ কাম আৰম্ভ কৰিব পাৰিব। স্থানচ্যুত লোক-সকলক দিয়া ঋণ প্ৰকৃতপক্ষে আদায় কৰা হোৱা নাই। চলিত বছৰৰ অৱস্থাৰ পৰা এইটো দেখা যায় যে বিদ্যুৎমণ্ডলী আৰু স্থানচ্যুতলোকসকলক দিয়া ঋণৰ বাহিৰে বাকী কিছু অনাদায়ী টকা আদায় কৰিব পৰা যাব। তথাপিও এই অনাদায়ী ঋণ আদায়ৰ পৰিস্থিতি অত্যন্ত দুঃখজনক হৈয়ে থাকিব।

প্ৰত্যেক বছৰে এই অৱস্থাৰ পুনৰুল্লেখ কৰি আহিব লগা হোৱাটো মোৰ পক্ষে বৰ বেদনাদায়ক। অৱশ্যে এই অনাদায়ী ধন আদায় কৰিবৰ বাবে চৰকাৰে চেষ্টাৰ ক্ৰুটি কৰা নাই। মাননীয় সদস্যসকলে নিশ্চয় উপলব্ধি কৰিব যে ইয়াৰ কিছুমান কাৰণ আমাৰ নিয়ন্ত্ৰণৰ বাহিৰত। সি যি কি নহওক অনাদায়ী কৰ আৰু ঋণ আদায় কৰা প্ৰচেষ্টা কোনো পধ্যে ঢিলাই দিয়া নহয় বৰং এই প্ৰচেষ্টা অধিক সুদৃঢ় আৰু ব্যাপক কৰি তোলা হ'ব।

১৯৬৮-৬৯ চনৰ হিচাপ

১৯৬৮-৬৯ চনৰ সংশোধিত নিৰ্দ্ধাৰণ (—) ১৫,৫৮·৯৪ লাখ টকাৰ ঘাটি উদ্বৃত্তৰে সামৰণি পৰিব বুলি আশা কৰা হৈছে। সেই বছৰটোত ভাৰত চৰকাৰে তিনি বাৰত অৰ্থোপায়ৰ আগধন মঞ্জুৰ কৰে। এই ধনৰ মুঠ পৰিমাণ আছিল ১১,৭৫·০০ লাখ টকা। এই টকাৰ ৮৫৬·৬৪ লাখ টকা ভাৰত চৰকাৰে ৰাজ্য চৰকাৰে পাবলগীয়া কেন্দ্ৰীয় কৰ আৰু শুল্কৰ পৰা আদায় কৰে। এই টকা পৰিশোধ কৰাৰ পিছতো ৩১৮·৩৬ লাখ টকা পৰিশোধ কৰিবলৈ বাকী থাকে। তৎসত্বেও বছৰটোৰ হিচাপ (—)১৮১৬·৫০ লাখ টকা ঘাটি উদ্বৃত্তৰে সামৰণি পৰে।

১৯৬৮-৬৯ চনৰ সংশোধিত নিৰ্দ্ধাৰণত ৰাজহৰ শিতানত আয় ধৰা হৈছিল মুঠ ৯৩,১৯·৬৬ লাখ টকা। কিন্তু এই শিতানত প্ৰকৃত আয় হৈছিল ৮৭,৪০·৭৫ লাখ টকা। ভাৰত চৰকাৰৰ পৰা সাহায্য মঞ্জুৰীৰ শিতানত ৩,৬৩·৬০ লাখ টকা আৰু ভূমি-ৰাজহৰ শিতানত ১০২·৫১ লাখ টকা কমকৈ পোৱাটোৱেই ৰাজহ আয় কম হোৱাৰ মাই কাৰণ।

সংশোধিত বাজেটত অনুমান কৰা ৯৯,৩৬·৫১ লাখ টকাৰ ঠাইত ৰাজহ হিচাপত ব্যয় হয় ১,০৯,২৫·৬১ লাখ টকা। ঋণ সেৱাৰ শিতানত ২,৩১·৫৭ লাখ টকা আৰু গড়কাপ্তানি বিভাগৰ শিতানত ৬,৩১·৮১ লাখ টকা বেছিকৈ খৰচ হোৱাৰ বাবেই বাইকৈ ব্যয়ৰ পৰিমাণ বৃদ্ধি পায়।

মূলধন বাজেটত সংশোধিত নিৰ্দ্ধাৰণ ১১৫,৬৪·২৭ লাখৰ ঠাইত প্ৰকৃত আয় হয় ১৩০,৯০·৯৯ লাখ টকা। ভাৰত চৰকাৰ আৰু ভাৰতৰ ৰিজাৰ্ভ বেঙ্কে অৰ্থোপায়ৰ আগধন মঞ্জুৰ কৰাৰ বাবেই যাইকৈ এই বৃদ্ধি পৰিলক্ষিত হয়।

সংশোধিত নিৰ্দ্ধাৰণৰ ১২০,২০·২৮ লাখ টকাৰ ঠাইত বছৰটোত মূলধন ব্যয় হয় ১১৮,৮০·৪৯ লাখ টকা। মিতব্যয়িতাৰ ব্যৱস্থা হিচাপে ৰাজ্য চৰকাৰে কমকৈ আগধন মঞ্জুৰ কৰাৰ ফলস্বৰূপেই যাইকৈ এই ৰাহি হয়।

সংশোধিত নিৰ্দ্ধাৰণত অনুমান কৰা প্ৰকৃত ৰাহি ১৫·২৮ লাখ টকাৰ ঠাইত ৰাজহুৱা হিচাপত প্ৰকৃত ঘাটি হয় ৫১·০৩ লাখ টকা।

সংশোধিত ১৯৬৯-৭০

১৯৬৯-৭০ চনৰ সংশোধিত নিৰ্দ্ধাৰণত আৰম্ভণিৰ উদ্বৃত্ত ধৰা হৈছিল (—) ১৮,১৬·৫০ লাখ টকা। ই আছিল আগৰ বছৰৰ প্ৰকৃত সামৰণিৰ হিচাবৰ উদ্বৃত্ত।

বাজেটত ধৰা ৯৯,৪৬·৪০ লাখ টকাৰ ঠাইত সংশোধিত ৰাজহ আয় হৈছে ১১১,৮৩·০৮ লাখ টকা। ভাৰত চৰকাৰৰ পৰা সাহায্য মঞ্জুৰী হিচাবে ৬৫৫·৩১ লাখ টকা আৰু অনাদায়ী কৰ আদায় কৰা অভিযান সজোৰে চলোৱাৰ ফলস্বৰূপে ৰাজ্যৰ ৰাজহ শিতানত ৬০২·৩৫ লাখ টকা বেছিকৈ আয় হোৱাৰ কাৰণেই যাইকৈ এই বৃদ্ধি পৰিলক্ষিত হয়।

মূল বাজেট নিৰ্দ্ধাৰণত ধৰা ১০৭,৭৬·৯৬ টকাৰ ঠাইত ৰাজহ ব্যয় বৃদ্ধি পায়, ১২০,৫৪·৭১ লাখ টকা। সাধাৰণ শিক্ষাৰ শিতানত (৩৫৯·৬৩ লাখ টকা) আৰু মাহিলি ২০ টকা হাৰত তদৰ্থ মৰগীয়া বানচ দিয়াৰ বাবে প্ৰশাসনীয় শিতানত যাইকৈ এই বৃদ্ধি হৈছে।

নিৰ্দ্ধাৰিত ১১৬,৪২·৫৩ লাখ টকাৰ ঠাইত মলধনী বাজেটত আয় ধৰা হৈছে ১৪৪,৩৪·২০ লাখ টকা। ভাৰতৰ ৰিজাৰ্ভ বেঙ্কৰ অ'ভাৰড্ৰাফ্ট পৰিশোধ কৰিবৰ বাবে অধিক অৰ্থোপায় ঋণ মঞ্জুৰ কৰাৰ কাৰণেই যাইকৈ এই পৰিমাণ বৃদ্ধি পায়।

মূল বাজেট নিৰ্দ্ধাৰণত ধৰা ১৪৪,৭২·৫৪ লাখ টকাৰ ঠাইত মূলধনী ব্যয় ধৰা হয় ১৫২,৪২·৭৫ লাখ টকা। ১৯৬৮-৬৯ চনৰ হিচাপত সংযোজিত নকৰা ২১,০৫·১১ লাখ টকাৰ অ'ভাৰড্ৰাফট সংযোজন কৰাৰ ফলতেই এই ব্যয় বৃদ্ধি হয়।

ৰাজহুৱা হিচাপত ৯৯৮·৫৫ লাখ টকা প্ৰকৃত ৰাহি হব।

ওৰত উল্লেখ কৰা ব্যৱস্থাসমূহৰ ফলত ১৯৬৯-৭০ চনত সামৰণিৰ উদ্বৃত্ত (—) ৫০,০০·২৮ লাখ টকা হব বুলি ধাৰণা কৰা হৈছিল যদিও এই ঘাটি (—) ২৪,৯৮·১৩ লাখ টকা হ ব বুলি আশা কৰা হৈছে।

অৰ্থোপায়ৰ অৱস্থা

ভাৰত চৰকাৰে সময়ে সময়ে অৰ্থোপায়ৰ আগধন সাময়িক ভাৱে মঞ্জুৰ কৰা সত্বেও আমাৰ অৰ্থোপায় অৱস্থা অসন্তোষজনক হৈয়ে আছে। ১৯৬৮-৬৯ চনৰ ভিতৰত ভাৰত

চৰকাৰে মুঠ ১১,৭৫'০০ লাখ টকা আগধন হিচাবে দিয়ে। পুনৰ ভাৰতৰ ৰিজাৰ্ভ বেঙ্কক অভাৰড্ৰাফট সম্পূৰ্ণকৈ শোধাই দিবলৈ ১৯৬৯-৭০ চনৰ চলিত বিত্তীয় বছৰত ৩৮,০০'০০ লাখ টকা মঞ্জুৰ কৰে। এই টকা পৰিশোধ কৰাৰ মিয়াদ এতিয়াও স্থিৰ কৰা হোৱা নাই। প্ৰাপ্ত মূলধনতকৈ ঋণ পৰিশোধৰ ব্যয় বহু পৰিমাণে বেছি হোৱাৰ বাবে মূলধনী বাজেটৰ ভাৰসাম্য ৰক্ষা কৰিব নোৱাৰাটোৱেই এই অশুভ অৱস্থাৰ ঘাই কাৰণ। আমাৰ মূলধনী আয়ৰ প্ৰধান সম্বলসমূহ হ'ল—বজাৰ ঋণ (market loan), ক্ষুদ্ৰ সঞ্চয় সংগ্ৰহৰ পৰা পোৱা ঋণ আৰু ৰাজ্য চৰকাৰে দিয়া ঋণ আৰু আগধন আদায়।

বাজেটত নিৰ্দ্ধাৰণ কৰা (—) ৫০,০০'২৮ লাখ টকাৰ ঠাইত আমাৰ সংশোধিত সামৰণিৰ উদ্বৃত্ত (—) ২৪,৯৮'১৩ লাখ টকা ঘাটি দেখুওৱা হৈছে। নিম্নোক্ত কাৰণৰ বাবেই এই উন্নতি পৰিলক্ষিত হৈছে। ১৯৬৯ চনৰ মাৰ্চ্চ মাহৰ শেষলৈ ভাৰত চৰকাৰক ঋণ আৰু সুত হিচাপে মুঠ ২৫,৬৫'০৯ লাখ টকা পৰিশোধ কৰিবলগীয়া হয়। আমাৰ অৰ্থোপায়ৰ অৱস্থা বেয়া হৈ পৰাৰ কথা বিবেচনা কৰি পৰিশোধৰ সময় পিছুৱাই দিবলৈ সিদ্ধান্ত কৰা হয়। সি যি কি নহওক, চলিত বছৰৰ বাজেটত এই টকা পৰিশোধ কৰিবৰ কাৰণে আৱশ্যকীয় ব্যৱস্থা ৰখা হৈছে। পিছত ভাৰত চৰকাৰে হেঁচা দিয়াত এই টকা পৰিশোধ কৰিবলৈ স্থিৰ কৰা হয় আৰু পৰিশোধ কৰা টকাখিনি যোৱা বছৰৰ হিচাপত (১৯৬৮-৬৯) ধৰা হয়। সেইবাবে চলিত বছৰৰ বাজেটত ধৰা টকা সেই পৰিমাণে বাহি হৈ পৰে। তাৰোপৰি ১৯৬৯-৭০ চনৰ বিত্তীয় বছৰত ভাৰত চৰকাৰে তদৰ্থ ঋণ হিচাবে ৩৮'০০ কোটি টকা মঞ্জুৰ কৰে।

১৯৭০ চনৰ ফেব্ৰুৱাৰী মাহৰ শেষত দিবলগীয়া ২৪,৬১'০৮ লাখ টকা এই বছৰৰ ভিতৰতে পৰিশোধ কৰা হয়। ইয়াৰ উপৰিও ১৯৭০ মাৰ্চ্চ মাহৰ শেষত আৰু ১০,৯০'৬৬ লাখ টকা পৰিশোধ কৰিবলগীয়া হ'ব। ভাৰত চৰকাৰক পৰিশোধ কৰিবলগীয়া এইখিনি টকাৰ বাবে চলিত বছৰৰ বাজেটত ব্যৱস্থা ৰখা হৈছে। মই আন ঠাইত উল্লেখ কৰা চৰকাৰী চাকৰিয়ালসকলক অলপতে অতিৰিক্ত মৰগীয়া বাচন মঞ্জুৰ কৰাত ঘাইকৈ হোৱা প্ৰতিশ্ৰুত ব্যয় পূৰণ কৰিবলৈ ১৬,৮৫'৭৪ লাখ টকাৰ এটা পৰিপূৰক দাবী আৰু পৰিপূৰক সংযোজন প্ৰস্তাৱো সন্মানিত সদনত উত্থাপন কৰা হৈছে।

## ১৯৭০-৭১ চনৰ বাজেট

মই এতিয়া সদনত ১৯৭০-৭১ চনৰ বাজেট দাঙি ধৰিব খোজোঁ। বিভিন্ন বিভাগসমূহে যদিও নতুন আঁচনিৰ বহুতো তালিকা দাঙি ধৰিছে, চৰকাৰে মিতব্যয়িতাৰ খাতিৰত ১৯৭০-৭১ চনৰ বছৰটোত নতুন বিষয়ত ব্যয় হিচাবে ১৩'২৪ লাখ টকাৰ কেৱল কেইটামান অপৰিহাৰ্য্য বিষয়হে গ্ৰহণ কৰিছে।

ৰাজহ বাজেটত নিৰ্দ্ধাৰিত আয় ১১১,০৩'৪২ লাখ টকা আৰু নিৰ্দ্ধাৰিত ব্যয় ১১০,৬৯'৪২ লাখ টকা ধৰা হৈছে। নতুন মেঘালয় ৰাজ্যলৈ কিছু ৰাজহ হস্তান্তৰিত কৰাৰ বাবেই সংশোধিত নিৰ্দ্ধাৰণতকৈ বাজেট নিৰ্দ্ধাৰণত কম ব্যয় হয়। সেই বাবে ৩৪ লাখ টকাৰ নামমাত্ৰ ৰাজহ বাহি হ'ব।

চলিত বছৰৰ সংশোধিত নিৰ্দ্ধাৰণ ১৪৪,৩৪'২০ লাখ টকাৰ ঠাইত বছৰটোত মূলধন আয় ধৰা হৈছে ১১৫,২৭'২৯ লাখ টকা। ভাৰত চৰকাৰৰ পৰা কমকৈ ঋণ পোৱা বাবেই বাজেট নিৰ্দ্ধাৰণত কমকৈ টকা ধৰাৰ ঘাই কাৰণ।

চলিত বছৰৰ সংশোধিত নিৰ্দ্ধাৰণ ১,৫২,৪২·৭৫ লাখ টকাৰ ঠাইত বছৰটোত নিৰ্দ্ধাৰিত ৰাজহ ব্যয় ধৰা হৈছে ১৪৭,২৭·৭৪ লাখ টকা আগতে উল্লেখ কৰা মতে ২,১০৫·১১ লাখ টকা যোৱা বছৰৰ হিচাপত অহাৰ কাৰণেই এই তাৰতম্য হৈছে ।

বাজেট নিৰ্দ্ধাৰণত দেখুওৱাৰ দৰে ১৯৭০-৭১ চনৰ বছৰটো (—) ৪১,৮৬·৪৮ লাখ টকা ঘাটি উদ্বৃত্তৰে সামৰণি পৰিব বুলি আশা কৰা হৈছে ।

ঘাটি অৱস্থা

বিগত অসমতাৰ পৰিণতি আৰু পুঞ্জীভূত ঘাটিৰ বাবে এই বছৰো এখন ঘাটি বাজেট উত্থাপন কৰাৰ বাহিৰে মোৰ আন কোনো বিকল্প পন্থা নাছিল যদিও, চলিত বছৰত ঘাটিৰ পৰিমাণ যথেষ্ট হ্ৰাস পাইছে । ৰাজহ ব্যয়ৰ বৰ্দ্ধিত বোজা, যোজনাসমূহৰ প্ৰতিশ্ৰুত ব্যয় আৰু ঋণ পৰিশোধৰ বাবে মূলধন ব্যয়ৰ হেতুকে ঘাটি বিত্তীয় ব্যৱস্থা চলাই থকাৰ এই অৱস্থা কোনো পধ্যেই এৰাব নোৱাৰি । মই আগতেই উল্লেখ কৰি আহিছোঁ যে পঞ্চম বিত্ত-আয়োগৰ অনুমোদনাৱলী আমাৰ আশানুৰূপ নহ'ল । সেয়েহে আমি আমাৰ ব্যয়ৰ ক্ষেত্ৰত যথাসম্ভৱ মিতব্যয়িতা অৱলম্বন কৰিবলৈ আৰু আমাৰ সম্পদৰাজি বৃদ্ধি কৰিবলৈ যৎপৰোনাস্তি চেষ্টা চলাই আহিছোঁ । মই ইতিমধ্যে সদনৰ এই অধিবেশনত উত্থাপন কৰিবলগীয়া কৰাৰোপন ব্যৱস্থাসমূহৰ ইঙ্গিতো দিছোঁ ।

সামৰণিত মই আভিযান্ত্ৰিক স্নাতকসকলকে ধৰি স্নাতক আৰু স্নাতকোত্তৰসকল কৰ্ম্মসংস্থাপনৰ অভাৱত নিবনুৱা হৈ থকাৰ সমস্যাটোৰ বিষয়েও মাননীয় সদস্যসকলৰ মনোযোগ আকৰ্ষণ কৰিব খোজোঁ । এই লোকসকলৰ কৰ্ম্মসংস্থানৰ ব্যৱস্থা কৰিবলৈ ৰাজ্যখনৰ চৰকাৰী বিভাগসমূহৰ সম্প্ৰসাৰণ আৰু শিক্ষানুষ্ঠান মুকলি কৰাৰ বাবে চলোৱা প্ৰচেষ্টা সম্পদৰ তুলনাত বহুতো বেছি হোৱা বুলিয়েই ক'ব পাৰি ।

কৃষি আৰু উদ্যোগৰ দৰে প্ৰাথমিক উৎপাদন খণ্ডই পোনপটীয়া ভাৱে কৰ্ম্মসংস্থানৰ সৃষ্টি কৰাৰ উপৰিও মধ্যমীয়া আৰু তৃতীয় পৰ্যায়তো নিয়োগৰ সুবিধা সৃষ্টি কৰাৰ দৰে উক্ত ব্যৱস্থাই লোক নিয়োগ কৰিব নোৱাৰে । সেই হেতুকে ৰাজ্যখনৰ অৰ্থনীতিৰ খাতিৰত আৰু কৰ্ম্মসংস্থানৰ প্ৰসাৰ বঢ়াবলৈ ৰাজ্যিক বিত্ত পুঁজি টনকিয়াল আৰু উন্নয়নৰ গতি দ্ৰুততৰ কৰি আমাৰ সম্পদসমূহ পাৰ্য্যমানে কৃষি আৰু ঔদ্যোগিক উৎপাদনৰ কামত খটুৱাব লাগিব ।

এই কামৰ বাবে সাধাৰণ শিক্ষাৰ ওপৰত জোৰ নিদি আমি আমাৰ শিক্ষা-ব্যৱস্থাক অধিক কৰ্ম্মমুখী কৰি তুলিব লাগিব । এই বিষয়টোলৈ বিশ্ববিদ্যালয়সমূহ আৰু ৰাজ্যখনৰ উন্নয়নৰ ক্ষেত্ৰত আগভাগ লোৱা সমাজকৰ্ম্মীসকলে লক্ষ্য ৰখাটো উচিত আৰু পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সাধাৰণ শিক্ষাৰ সঙ্গতিবিহীন সম্প্ৰসাৰণৰ ফলত সৃষ্টি হোৱা হতাশা দূৰ কৰি কৰ্ম্মমুখী শিক্ষা আৰু ৰাজ্যখনৰ উন্নয়নৰ কামত মনোনিৱেশ কৰিবলৈ এই লোকসকলে সামূহিক প্ৰচেষ্টা চলাব লাগিব ।

ই আমাক নিজে নিজৰ কাম বিচাৰি উলিওৱাৰ কথাও সঁকিয়াই দিব ।

এই উদ্দেশ্যে ভাৰত চৰকাৰে চৈধ্যটা বেঙ্ক ৰাষ্ট্ৰীয়কৰণ কৰিছে আৰু উদ্যোগ আৰু কৃষিৰ ক্ষেত্ৰত ডেকা উদ্যোগপতিসকললৈ ঋণ আগবঢ়াবৰ বাবে ৰিজাৰ্ভ বেঙ্কৰ যোগেদি এই বেঙ্কসমূহলৈ নিৰ্দ্দেশ দিছে যাতে এই ক্ষেত্ৰত আগবঢ়োৱা ঋণ লাভৰ যোগ্যতাৰ নিৰ্দ্ধাৰণ সা-সম্পত্তিৰ ওপৰত নকৰি ব্যক্তিগত প্ৰচেষ্টা আৰু আঁচনিৰ স্বাৱলম্বিতাৰ ওপৰতহে কৰা হয় ।

এই চৰ্ত্তসাপেক্ষে বিভিন্ন বেঙ্কসমূহে ইতিমধ্যে ক্ষুদ্ৰায়তন শিল্প আৰু কৃষিৰ বাবে আগবাঢ়ি অহা লোকসকললৈ ঋণ দিবলৈ চেষ্টা চলাই আছে। স্নাতকসকলকে ধৰি সকলো পৰ্য্যায়ৰ লোকেই ইতিমধ্যে হাঁহ-কুকুৰা পালন, শাক-পাচলিৰ খেতি, কৃষি, মীনমহল, পশুপালন আৰু ক্ষুদ্ৰায়তন শিল্পৰ বাবে ঋণ লৈছে।

এই ব্যৱস্থা চলি থাকিলে শিক্ষিত নিবনুৱাসকলক বৰ্ত্তমানৰ নিৰাশজনক অৱস্থাৰ পৰা উৎপাদনৰ ক্ষেত্ৰলৈ আঁতৰাই আনি তেওঁলোকৰ মনত আত্মবিশ্বাসৰ ভাৱ জগাই তুলি নিয়োজিত কৰাটো সম্ভৱ হব আৰু ইয়াৰ ফলত তেওঁলোকেও হয়তো এটা সামান্য চাকৰিত পোৱা ধনতকৈ বেছি ধন অৰ্জ্জন কৰিব পাৰিব।

অসমত বৰ্ত্তমানে চলি থকা ব্যৱসায়িক বেঙ্কসমূহক গাওঁ আৰু চহৰৰ উপকণ্ঠ অঞ্চলত শাখা খোলাৰ বাবে ৰিজাৰ্ভ বেঙ্কে নিৰ্দ্দেশ দিছে আৰু কোনো এটি বিশেষ বেঙ্কক কোনো কোনো বিশেষ জিলাত প্ৰধান বেঙ্ক হিচাবে কাম চলাই যাবলৈ কোৱা হৈছে। এই প্ৰধান বেঙ্কে জিলাখনৰ আৱশ্যকতাখিনিৰ ব্যাপকভাবে অধ্যয়ন কৰিব আৰু সেই অনুপাতে সংশিষ্ট বেঙ্কটিয়ে নতুন বেঙ্ক-নীতি প্ৰয়োগৰ দায়িত্ব বেছি ভাল ধৰণেৰে বহন কৰিব পাৰিব।

গাওঁ আৰু চহৰৰ উপকণ্ঠ অঞ্চলত ব্যৱসায়িক বেঙ্কসমূহৰ এনেধৰণৰ সম্প্ৰসাৰণৰ ফলস্বৰূপে কৃষি আৰু ঔদ্যোগিক ক্ষেত্ৰত যথেষ্ট পৰিমাণে ঋণ দিয়াৰ উপৰিও সেই অঞ্চলসমূহৰ খেতিয়কসকলৰ ধন জমা ৰখাৰো সুচল বাঢ়িব।

এনে ব্যৱস্থাই সম্প্ৰতি অব্যৱহৃত হৈ থকা গ্ৰাম্য অঞ্চলৰ অৰ্থ সম্পদ ফলপ্ৰসূভাবে ব্যৱহাৰ কৰাটো সম্ভৱ কৰি তুলিব। ই গ্ৰাম্য অঞ্চলৰ লোকসকলৰ এতিয়ালৈকে ব্যৱহাৰ নকৰা উদ্যম বিভিন্ন উৎপাদনমূলক আৰু উন্নয়নৰ কামত লগাবলৈ সুচল কৰি তুলিব।

এই পৰিস্থিতিত অত্যন্ত প্ৰয়োজনীয় কথা হৈছে এয়ে যে সমাজসেৱী আৰু ৰাজনৈতিক নেতাসকলে এই উদ্দেশ্যসমূহ কাৰ্য্যকৰী কৰাত ৰাজ্যৰ যুৱক-যুৱতীসকলৰ নেতৃত্ব বহন কৰিব লাগিব যাতে দেশৰ ভৱিষ্যত উন্নয়ন নিৰ্ভৰ কৰা আত্মনিয়োগৰ আন্দোলনে গতি লাভ কৰে।

দেশৰ বেছি ভাগ ৰাজনৈতিকদলেই এই বেঙ্কসমূহৰ ৰাষ্ট্ৰীয়কৰণক আদৰণি জনাইছে। মোৰ বোধেৰে উপৰোক্ত বৈপ্লৱিক উদ্দেশ্য সাধণৰ বাবেই তেওঁলোকে বেঙ্ক ৰাষ্ট্ৰীয়কৰণক আদৰণি জনাইছে। যদি সেয়ে হয় তেন্তে এইটো আশা কৰিব পাৰি যে দলীয় স্বাৰ্থনিৰ্ব্বিশেষে আত্মনিয়োগৰ কাৰণে চলোৱা আন্দোলনটো ৰাষ্ট্ৰীয় আঁচনি হিচাবে গতি লাভ কৰিব। তেতিয়াহলে জলসিঞ্চনৰ প্ৰগতি, একেডৰা মাটিতে চপোৱা বিভিন্নবিধ শস্যৰ খেতি আৰু অন্যান্য উৎপাদনশীল বিনিয়োগ ব্যৱস্থা দ্ৰুতগতিত চলিব আৰু অহা ১০ বছৰৰ ভিতৰত অসমৰ ৰাষ্ট্ৰীয় আয় দুগুণ বৃদ্ধি কৰাত কোনো অসুবিধা নহব; কাৰণ আমাৰ ৰাষ্ট্ৰীয় আয়ৰ শতকৰা ৫০ ভাগ ধন কৃষিৰ পৰাই পোৱা যায়।

এই উদ্দেশ্য সাধনত মই মাননীয় সদস্যসকলৰ সহযোগিতা কামনা কৰোঁ।

—জয়হিন্দ্—

## পৰিশিষ্ট "ক"

(হাজাৰ টকাৰ হিচাপত)

| শিতান | প্ৰকৃত ১৯৬৮-৬৯ | বাজেট ১৯৬৯-৭০ | সংশোধিত ১৯৬৯-৭০ | বাজেট ১৯৭০-৭১ |
|---|---|---|---|---|
| (১) | (২) | (৩) | (৪) | (৫) |
| আয়-- | | | | |
| আৰম্ভণিৰ উদ্বৃত্ত .... .... .... | (—) ৮,০৯,৫০ | (—)১৫,৫৮,৯৪ | (—)১৮,১৬,৫০ | (—) ২৪,৯৮,১৩ |
| ৰাজহ আয় .... .... .... .... | ৮৭,৪০,৭৪ | ৯৯,৪৬,৪০ | ১,১১,৮৩,০৮ | ১,১১,০৩,৪২ |
| মূলধন আয় .... .... .... .... | ১,৩০,৯০,৯৯ | ১,১৬,৪২,৫৩ | ১,৪৪,৩৮,২০ | ১,১৫,২৭,২৯ |
| উপনিমিত্ত পুঁজি শিতানৰ আয় .... .... | ১,৯৮,৩৪ | ১,০০,০০ | ২,০০,০০ | .... |
| ৰাজহুৱা হিচাপ শিতানৰ আয় .... .... | ৪,২২,৪৪,৯১ | ৪,২২,৯৫,২৮ | ৪,৫৩,৮৯,০৫ | ৪,৬২,৫৮,৭৪ |
| মুঠ আয় .... | ৬,৪২,৭৪,৯৮ | ৬,৩৯,৮৪,২১ | ৭,১২,০৬,৩৩ | ৬,৮৮,৮৯,৪৫ |
| সৰ্বমুঠ .... | ৬,৩৪,৬৫,৪৮ | ৬,২৪,২৫,২৭ | ৬,৯৩,৮৯,৮৩ | ৬,৬৩,৯১,৩২ |

| (১) | (২) | (৩) | (৪) | (৫) |
|---|---|---|---|---|
| ব্যয়— | | | | |
| ৰাজহ ব্যয় .... .... .... .... | ১,০৯,২৫,৬১ | ১,০৭,৭৬,৯৫ | ১,২০,৫৪,৭১ | ১,১০,৬৯,৪২ |
| মূলধন ব্যয় .... .... .... .... | ১,১৮,৮০,৪৯ | ১,৪৪,৭২,৫৪ | ১,৫২,৪২,৭৫ | ১,৪৭,২৭,৭৪ |
| উপনিমিত্ত পুঁজি শিতানৰ ব্যয় .... .... | ১,৭৯,৭৪ | .... | ২,০০,০০ | .... |
| ৰাজহুৱা হিচাব শিতানৰ ব্যয় .... .... | ৪,২২,৯৫,৭৪ | ৪,২১,৭৬,০৬ | ৪,৪৩,৯০,৫০ | ৪,৪৭,৮০,৬৪ |
| মুঠ ব্যয় .... .... | ৬,৫২,৮১,৯৮ | ৬,৭৪,২৫,৫৫ | ৭,১৮,৮৭,৯৬ | ৭,০৫,৭৭,৮০ |
| সামৰণিৰ উদ্বৃত্ত .. | (—)১৮,১৬,৫০ | (—)৫০,০০,২৮ | (—) ২৪,৯৮,১৩ | (—)৪১,৮৬,৪৮ |
| সৰ্বমুঠ .... .... | ৬,৩৪,৬৫,৪৮ | ৬,২৪,২৫,২৭ | ৬,৯৩,৮৯,৮৩ | ৬,৬৩,৯১,৩২ |
| প্ৰকৃত ফলাফল— | | | | |
| বাহি (+) | | | | |
| ঘাটি (—) | | | | |
| (ক) ৰাজহ হিচাপত .... .... | (—)২১,৮৪,৮৭ | (—) ৮,৩০,৫৫ | (—) ৮,৭১,৬৩ | (+) ৩৪,০০ |
| (খ) ৰাজহ হিচাপৰ বাহিৰত .... .... | (+)১১,৭৭,৮৭ | (—)২৬,১০,৭৯ | (+) ১,৯০,০০ | (—)১৭,২২,৩৫ |
| (গ) আৰম্ভণিৰ উদ্বৃত্তৰ বাহিৰে প্ৰকৃত | (—)১০,০৭,০০ | (—)৩৪,৪১,৩৪ | (—) ৬,৮১,৬৩ | (—)১৬,৮৮,৩৫ |

## পৰিশিষ্ট 'খ'

### ১৯৭০-৭১ চনৰ বাৰ্ষিক যোজনা

(খণ্ড হিচাপে কৰা বণ্টন)

(লাখ টকাৰ হিচাপত)

| উন্নয়নৰ শিতান | ১৯৭০-৭১ চনৰ সাম্প্ৰতিক বণ্টন |
|---|---|
| (১) | (২) |
| ১। কৃষি-উৎপাদন .... .... .... .... | ২৩৩·০০* |
| ২। ক্ষুদ্ৰ জলসিঞ্চন— | |
| (ক) কৃষি বিভাগৰ দ্বাৰা .... .... .... | ৯৩·০০ |
| (খ) গড়কাপ্তানি বিভাগৰ দ্বাৰা (বান-নিয়ন্ত্ৰণ আৰু জল-সিঞ্চন)। | ১৪০·০০ |
| ৩। ভূমি-সংৰক্ষণ .... .... .... .... | ১৯·০০ |
| ৪। এলেকা-উন্নয়ন কাৰ্য্যসূচী (Ayacut Development Programme)। | ৫·০০ |
| ৫। পশুপালন .... .... .... .... .... | ৬১·০০ |
| ৬। দুগ্ধশালা আৰু গাখীৰ-যোগান .... .... .... | ১৩·০০ |
| ৭। বন বিভাগ ... .... .... .... .... | ৫৫·০০ |
| ৮। মীন-মহল .... .... .... .... .... | ২৭·০০ |
| ৯। পণ্যশালা .... .... .... .. .... | ২·০০ |
| ১। কৃষি-আঁচনি .... .... | ৬৪৮·০০ |
| ১০। সমবায় .... .... .... ... ... | ৭৮·০০ |
| ১১। সমূহীয়া উন্নয়ন .... ... .... | ৫০·০০ |
| ১২। পঞ্চায়ত .... .... .... .... .... | ১০·০০ |
| ২। সমবায় আৰু সমূহীয়া উন্নয়ন | ১৩৮·০০ |

* ৰাজহ বিভাগে কাৰ্য্যকৰী কৰা আঁচনিসমূহৰ ব্যৱস্থাও অন্তৰ্ভুক্ত।

(লাখ টকাৰ হিচাপত)

| উন্নয়নৰ শিতান (১) | ১৯৭০-৭১ চনৰ সাম্প্ৰতিক বণ্টন (২) |
|---|---|
| ১৩। মজলীয়া জলসিঞ্চন .... .... .... .... | ১৩১.০০ |
| ১৪। বানপানী নিয়ন্ত্ৰণ .... .... .... .... | ৫১৬.০০ |
| ১৫। বিজুলী-শক্তি .... .... .... .... | ৬৯০.০০ |
| ৩। জলসিঞ্চন আৰু বিজুলী-শক্তি .... | ১,৩৩৭.০০ |
| ১৬। বৃহৎ আৰু মাধ্যমিক উদ্যোগ .... .... .... | ২৪৪.০০ |
| ১৭। খনিজ উন্নয়ন .... .... .... .... | ১৬.০০ |
| ১৮। গ্ৰাম্য আৰু ক্ষুদ্ৰ উদ্যোগ— | |
| (ক) কুটীৰ আৰু ক্ষুদ্ৰায়তন উদ্যোগ .... .... | ২৫.০০ |
| (খ) ৰেচ্মে আৰু বয়ন .... .... .... | ২৪.০০ |
| (গ) সমবায় তাঁত-শিল্প .... .... .... | ২৪.০০ |
| (ঘ) খাদী .... .... .... .... | ৪.০০ |
| ৪। উদ্যোগ আৰু খনিখনন .... | ৩৩৭.০০ |
| ১৯। আলিবাট .... .... .... .... | ২৬০.০০ |
| ২০। পথ-পৰিবহন .... .... .... .... | ১০৩.০০ |
| ২১। অন্যান্য পৰিবহন (আভ্যন্তৰীণ জল-পৰিবহন) .... | ১২.০০ |
| ২২। পৰ্য্যটন .... .... .... | ৬.০০ |
| ৫। পৰিবহন আৰু যোগাযোগ .... | ৩৮১.০০ |
| ২৩। সাধাৰণ শিক্ষা .... .... .... .... | ২৫০.০০ |
| ২৪। কাৰিকৰী শিক্ষা .... .... .... | ৩৫.০০ |
| ২৫। সাংস্কৃতিক কাৰ্য্যসূচী .... .... .... .... | ৪.০০ |
| ২৬। স্বাস্থ্য আৰু পৰিয়াল-পৰিকল্পনা .... .... | ১৫৪.০০ |

(লাখ টকাৰ হিচাপত)

| উন্নয়নৰ শিতান | ১৯৭০-৭১ চনৰ সাম্প্ৰতিক বণ্টন |
|---|---|
| (১) | (২) |
| ২৭। পানী-যোগান .... .... .... .... | ৫৬·০০ |
| ২৮। গৃহনিৰ্ম্মাণ .... .... .... .... .... | ১৮·৬০ |
| ২৯। চহৰ উন্নয়ন.... .... .... .... .... | ৩০·০০ |
| ৩০। অনুন্নত শ্ৰেণীসমূহৰ কল্যাণ সাধন (ভৈয়ামৰ জনজাতি, অনুসূচীত জাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীসমূহ)। | ৯৫·০০ |
| ৩১। সমাজ-কল্যাণ .... .... .... .... | ৯·০০ |
| ৩২। শ্ৰম আৰু শ্ৰমকল্যাণ-- | |
| (ক) শ্ৰম .... .... .... .... .... | ২·০০ |
| (খ) নিয়োগ .... .... .... .... | ০·৪০ |
| (গ) কাৰিকৰ-প্ৰশিক্ষণ .... .... .... | ১২·০০ |
| (ঘ) কৰ্ম্মচাৰীৰ ৰাজ্যিক বীমা আঁচনি .... .... | ১·০০ |
| ৩৩। জন-সহযোগ .... .... .... .... | ... |
| ৬। সমাজ-সেৱা .... .... .... | ৬৬৭·০০ |
| ৩৪। পৰিসংখ্যা .... .... .... .... .... | ৩·০০ |
| ৩৫। তথ্য আৰু জনসম্পৰ্ক .... .... .... .... | ৮·০০ |
| ৩৬। মূল্যাঙ্কন কাৰ্য্যকলাপ ... .... .... .... | ১·০০ |
| ৩৭। অন্যান্য-- | |
| (ক) পৰিকল্পনা আৰু উন্নয়ন .... .... .... | ৩·০০ |
| (খ) স্থানীয় নিকায় .... .... .... .... | ১২·০০ |
| (গ) অসম চৰকাৰী ছাপাখানা .... .... .... | ১৪·০০ |
| ৭। বিবিধ .... .... .... | ৪১·০০ |
| ৩৮। পাৰ্ব্বত্য অঞ্চলৰ আঁচনি ... .... .... | ৬৬৩·০০ |
| সৰ্ব্বমুঠ ... | ৪,২১২·০০ |

AGP [Fin.(c)] 4/70—2,500—15-3-70.